# ভগা হিয়া

বাক্‌হীন যম-যাতনাৰে জীয়াতু ভোগাই
তাইক চাবলে' বাধ্য কৰায়
পুৱাবেলাতে আন্ধাৰে সাবটি লোৱা ধূসৰ সন্ধ্যাক
শক্তি আৰু ক্ষমতাই দমন কৰোতে
অনন্ত সময় কেনিবা গুছি যায়

শইচৰ পথাৰত উপজিপুৱাতে কামলৈ' যাওঁতে
পুৱা, দুপৰ, নিশা এপৰ পাৰ হয়
দুৰণিৰ জলাধাৰৰ পৰা কলহ ভৰাই পানী আনোতে
পোহৰতকৈ আন্ধাৰেহে আৱৰি ধৰে তাইক

ৰ'দ-বৰষুণ-বৰফ নেওঁচি প্ৰতিদিনেই তাই
আমনি লগা কামবোৰ কৰি যায়
আইৰ অমৃত পৰশেও তাইৰ যাতনা আতৰাই সবল কৰিব নোৱাৰে
ক্ষত বিক্ষত হাত আৰু ভাগ্য

তথাপি তাইৰ মুখেৰে নোলায় কোনো প্ৰতিবাদী শব্দ
নবয় নয়নেৰে অবদমিত চকুলোৰ ধাৰ
নলৰে ওঁঠ দুটি নকঁপে হাত দুখনি
কিন্তু মৌন মুহূৰ্তত তাইৰ ৰক্তাক্ত হিয়াই কান্দে

তথাপিও সকলো বাধা নেওঁচি
জীয়ৰী আৰু পতিব্ৰতা পত্নী হৈ
সৰ্বগ্ৰাসী নিৰাশাৰ মাজতো
তাই যাপন কৰে একাকী জীৱন

এটি অচিন তৰাৰ দৰে জিলিকি থাকে তাই
যি তৰাই পোহৰায় সকলোকে
কিন্তু ধূসৰ মেঘমালাত যেতিয়া ই লুকাই পৰে
কোনেও, আনকি তাইৰ নিজস্ব সত্তাইও সঁহাৰি নিদিয়ে অস্ফুট আৰ্তিৰ
সকলো ভালপোৱা আৰু হাঁহিৰ পৰা বঞ্চিতা
ভাঙো ভাঙো শিকলিত বান্ধ খায়ো
তায়েই সেই 'নাৰী' যি শিৰত পিন্ধে কাঁইট
তথাপিও পাৰ্থিৱ দুখবোৰত সানিব খোজে সান্ত্বনা

সেয়ে শপত খাওঁ আহা
হাত আগবঢ়াও বিস্মৃতিৰ বালিচৰত ফুল ফুলাবলে'
জাতিৰ উন্নতিৰ সোপান যে
পৰি আছে 'নাৰী'ৰ হাতত। ☆

*অসমীয়া অনু ঃ নমিতা দাস*

# রাত্রিগুলি

কে. আইয়াপ্পা পানিকৰ (মালায়ালম)
বাংলা অনু. ঃ উৎপল কুমাৰ বসু

কোনো রাত্রি অন্য রাত্রির মতো নয়
রাত্রি নিজেদের পুনরাবৃত্তি করেনা
কিন্তু অপুনরাবৃত্ত রাত্রিগুলির কথা ভেবে
আমারা বিষন্ন হই, অসুখী।

বাল্যে শোনা এক দ্বিপদী
সেই আদর্শের উষ্ণতা
দুর্গের মধ্যে এক রাত্রিতে
রূপান্তরিত হয়েছিল ; তার আর্তনাদের
পুনরাবৃত্তি ঘটবে না
দ্বিপদীকে অর্থবহ করে তোলে
আর্তনাদ।

যদি আমরা পুনর্জন্ম পাই
দিব্য নাভিতে
আমাদের আলিঙ্গনবদ্ধ স্বপ্নে।
যখন নাভি
প্রহৃত হয়
আদি বীজ
পুনর্জন্ম পায়। ঌ

# ৰাতিবোৰ

কোনো ৰাতিয়েই অন্য এটা ৰাতিৰ দৰে নহয়
ৰাতিয়ে নিজকে পুনৰাবৃত্তি নকৰে
কিন্তু এই পুনৰাবৃত্তি নোহোৱা
ৰাতিবোৰৰ কথা ভাবি
আমি বিষণ্ণ হওঁ, হওঁ অসুখী।

শৈশৱত শুনা এটা দ্বিপদী
সেই আদৰ্শৰ উষ্ণতা
দুৰ্গৰ ভিতৰত এটা ৰাতিতে
ৰূপান্তৰিত হৈছিল ; তাৰ আৰ্তৰ
পুনৰাবৃত্তি নঘটে
দ্বিপদীক অৰ্থবহ কৰি তোলে
আৰ্তনাদে।
যদি আমি পুনৰজনম লাভ কৰো
দিব্য নাভিত
আমাৰ আলিঙ্গনাবদ্ধ স্বপ্নত
যেতিয়া নাভি প্ৰস্তুত হয়
আদি বীজ
পুনৰজনম পায়। ৯

*অনুবাদ ঃ গীতা উপাধ্যায*

# ब्रह्मपुत्रा

विद्या शर्मा (माराठी)

एकटीच उमी मी ब्रह्मपुत्रेच्या काठी
विचार करीन या विशाल पात्राचा
हे पाणी वरून जितकं संथ दिसंतय
तितकीच अशांत खडबक
किती गावं याने वसवाली
किती रहस्य याने पचवली
किती राजवटी याने पाहित्य
किती लढ़ाया याला दिस
किती लोकानी यात जलसमाधी धेतजी।
मी? बनते मग ब्रह्मपुत्रा
ब्रह्मपुत्रेकर्ड पहाना पहाना
न कहत मन तुजना करू लागतं
बधता बधता स्वत:च्
ब्रह्मपुत्रेचं पाणी बमते
रागलोभ मानापमान स्वत:त सामावुन धेतं
आणि मग बाहेरून दिसतं
फका अर्थाग अविचल विशाल पाणी। ☆

# লুইত

লুইতৰ পাৰত মই অকলে
অটল জলধিৰ স'তে কথা পাতো মন গহনত
কেনে শান্ত এই জলৰাশি
অশান্ত তাৰ অন্তৰ!
কতখানি জনপদ গঢ়ি উঠিল পাৰত
ৰহস্য কিমান তাৰ ভিতৰতে
ক'ত ৰজাৰ শাসন দেখিলে লুইতে
কিমানখন যুঁজ পাতিলে পাৰতে
ক'তজন জাহ গ'ল বুকুতে
লুইতকে ধিয়াই
ৰিজালো জীৱনটোক
বিশালতাৰ স'তে
অতীত স্মৃতিয়ে দোলা দিয়া
ৰাগ-অনুৰাগ-লাজ-অপমান
গোপনে থৈছো সাঁচি জনা-নজনাকৈ
দিনবোৰো সময়ৰ সোঁতকে লৈ
বৈ আছে অবিচল অবিৰাম নিঃশব্দ বিশাল বৰলুইতৰ দৰে। ☆

*অনুবাদ ঃ সাবিত্ৰী শইকীয়া বৰুৱা*

## ATA MAZA MALE JEEVA
## (Now I Remain for Mayself)

**Bahinabai Choudhury (Marathi)**

There was no end to the tears
flowing from eyes.
I have cried so much.
Now tears have run out;
sobs remain.

Tears have run out,
giving me some respite.
Don't cry without tears
O my Heart.

Tell me. O Mother Earth,
how did it all happen?
How did the tree vanish
leaving its shadow behind?

The gods have gone
to their heavenly home;
Two golden boys smile
before your eyes.
Don't cry, O Heart.

Don't cry, O heart.
Crying to you is second nature.
Make your tears laugh a little!
That's what gives life on earth
a bit of taste

The vermilion mark
is wiped off my forehead;
only the tattoo remains
to welcome fate.

The bangles are broken,
but the wrists can still
wrestle with fate.
The mangalasutra
no more graces my neck;
but the vows taken,
hand on the neck,
still endure.

No, my sweet women,
do not weep for me.
I am now at peace;
now it's all between
my heart and me ☆

# এতিয়া মই মোৰ কাৰণে জীয়াই থাকিম

চকুৰ পৰা সৰি পৰা
চকুলোৰ কোনো শেষ নাছিল।
মই ইমান যে কান্দিলো,
চকুলোবোৰ শেষ হৈ আহিল।

চকুলোবোৰ শেষ হৈ আহিল,
মই অলপ তেওঁ শান্তি পাইছো।
অ' মোৰ মনটো!
চকুলো নোহোৱাকৈ নাকান্দিবি।

হে আই ধৰিত্ৰী! কোৱাচোন কোৱা
কেনেকৈ ঘটনাবোৰ ঘটিল?
কেনেকৈ বাৰু ছাঁটো এৰি থৈ
গছজোপা নোহোৱা হৈ গ'ল?

ভগবান সকল গ'লগৈ
নিজা নিজা সৰগৰ ঘৰলৈ।
তোৰ চকুৰ আগত
হাঁহি আছে দুটি সোণামুৱা ল'ৰাই
অ' মোৰ মনটো! নাকান্দিবা।

অ' মোৰ চেনেহী মনটো! নাকান্দিবি।
তইতো সদায় কান্দিয়েই থাক।
চকুপানীবোৰো অলপ হাঁহি মাৰিবলৈ
কছোন
ইয়েইতো এই ধৰণীত
জীৱনটোত অকণমান সোৱাদ দিয়ে।

মোৰ কপালৰ পৰা
সেন্দুৰখিনি মচা হৈ গ'ল,
ভাগ্যক আদৰিবলৈ
মাত্ৰ দাগটো ৰৈ গ'ল।
খাডুবোৰ ভাগি গ'ল,
কিন্তু হাতখনে
এতিয়াও ভাগ্যৰ স'তে যুঁজিব পাৰে।
মঙ্গলসূত্ৰ দ'লে
মোৰ ডিঙিটো আৰু সজাই নোতোলে;
কিন্তু লোৱা শপতখিনি,
ডিঙিত থকা হাতখন,
এতিয়াও আছে।
অ' মোৰ চেনেহৰ সখীহঁত
মোৰ কাৰণে আৰু কন্দা-কটা নকৰিবা,
মই এতিয়া শান্তি পাইছো;
এতিয়া সকলোবোৰ মই আৰু
মোৰ মনটোৰ মাজত।

*অসমীয়া ঃ অৰূপা পটঙ্গীয়া কলিতা*

# श्रीसूक्त

**संग्रह : शिवानी गोस्वामी** (संस्कृत)

ॐ हिरण्यवर्णां हरिर्णीं सुवर्णरजन श्रेजाम्।
चन्द्रां हिरण्मयीं लक्ष्मीं जातवेदो म आवह ॥१ ॥
तां म आवह जातवेदो लक्ष्मीमनपगामिणीम्।
यस्यां हिरण्यं विन्देयं गामश्वं पुरुषानहम्॥२ ॥
अश्रूपूर्वा रथमध्यां हस्तिनाद प्रवोधिनीम्।
श्रियं देवीमुपहये श्रीमा देवी जुषताम्॥३ ॥
कां सोस्मितां हिरण्यप्राकारामाद्रां ज्वलन्तीं
तृप्तां तर्पयन्तीम्।
पद्मे स्थितां पद्मवर्णां तामिहोपहवये श्रियम्॥ ४॥
चन्द्रां प्रभासां यशसा ज्वलन्तीं श्रियं लोके
देवजुंष्टामुदारम्।
तां पद्मिनीमीं शरणमहं प्रपद्येलक्ष्मोमेनश्यतां त्वां वृणे॥ ५॥ ✫

## শ্ৰীসূক্তৰ কেইটিমান
## শ্লোকৰ অসমীয়া অনুবাদ

হে অগ্নিদেৱ।
সোণবৰণীয়া লক্ষীদেৱীয়ে
আমাক যেন
কৰে কৃপা বৰিষণ,
তথা
পাপ বিমোচন।
জোন যেন শুভ্ৰা তেওঁ,
কৰে পৰিধান তেওঁ
স্বৰ্ণ, ৰূপৰ অলঙ্কাৰ।। ১।।
হে অগ্নিদেৱ!
মোৰ প্ৰতি হওক সদয়,
ত্যাগ নকৰে যেন

দেৱী লক্ষ্মীয়ে মোক।
তেওঁৰ কৃপায়ে হয় প্ৰাপ্তি
সোণ, গৰু, ঘোঁৰা আৰু বন্ধু।। ২।।
ৰথে আছে তেওঁ,
সন্মুখে ঘোঁৰা,
পিছে দেৱী।
দিয়ে বাতৰি আগমনৰ
চিঞৰি গজে।
কৰো মিনতি মই
দেৱী লক্ষ্মীক,
ধন ঐশ্বৰ্যৰ সেই
অধিষ্ঠাত্ৰীয়ে
মোক আহি
কৰক কৃপা।। ৩।।
প্ৰাৰ্থনা কৰো মই,
সেই দেৱী ঐশ্বৰ্য শালিনীক,
স্বভাৱ যাৰ আনন্দ প্ৰদান।
মুখকান্তি উজ্জ্বল,
মনোৰমা তেওঁ।
বাস তেওঁৰ স্বৰ্ণমন্দিৰ,
উজ্জ্বল, কৃপাময়ী তেওঁ।
সদানন্দময়ী তেওঁ,
কৰে প্ৰদান ভক্তসকলক
সুখ সমৃদ্ধি।
কমলাসনস্থা তেওঁ,
কমলাকৰ্ণা,
কমলাদেৱীক মই
জনাওঁ স্বাগতম্।। ৪।।
দেৱগণে পূজা
কৰে যাক,
মহিমামণ্ডিত, স্বমহিমাৰে
যিজনা,
ভাস্বৰা জোন যেন
পূৰ্ণিমাৰ,
সেই দেৱী লক্ষ্মীৰ
ল'লো মই চৰণে শৰণ।। ৫।। ৮

*অনুবাদ ঃ শিবানী গোস্বামী*

## THE GLOW-WORM'S GLEAM

**Narain Shyam (Sindhi)**

There is a gleam of the glow-worm,
The night is dark and long the journey.
Light takes one step and darkness another
        There is a gleam of the glow-worm,
        The night is dark and long the journey.
Now here and now there
flashes of light emanate.
        There is a gleam of the glow-worm,
        The night is dark and long the journey.
This light falls drop by drop but darkness
is complete thirst.
        There is a gleam of the glow-worm,
        The night is dark and long the journey.
As you glance, now it glows and now it dies,
But the path darkens more and more,
        There is a gleam of the glow-worm,
        The night is dark and long the journey.
Perhaps one may complete this life's
pilgrimage only thus.
        There is a gleam of the glow-worm.
        The night is dark and long the journey ☆

# তাত এতিয়া কেৱল এজাক জোনাকীৰ জিলমিল

তাত এতিয়া কেৱল এজাক জোনাকীৰ জিলমিল।
অন্ধকাৰ নিশা জীৱনৰ
সুদীৰ্ঘ যাত্ৰা
পোহৰে এখোজ দিলে
আন্ধাৰেও দিয়ে আনটো খোজ
যেন অঘোষিত এখন যুদ্ধ!
তাত এতিয়া কেৱল এজাক জোনাকীৰ জিলমিল।
এতিয়াই ইয়াত, এতিয়াই তাত দেখা যায়
হঠাতে বিচ্ছুৰিত হোৱা
পোহৰৰ ৰেঙণি।
তাত এতিয়া কেৱল এজাক জোনাকীৰ জিলমিল।
অন্ধকাৰ নিশা-জীৱনৰ
সুদীৰ্ঘ যাত্ৰা।
বিন্দু বিন্দু হৈ সৰি পৰে সেই পোহৰ,
কিন্তু আন্ধাৰৰ তৃষ্ণাৰ যেন শেষ নাই।
তাত এতিয়া কেৱল এজাক জোনাকীৰ জিলমিল।
অন্ধকাৰ নিশা জীৱনৰ
সুদীৰ্ঘ যাত্ৰা।
চকুদিলেই দেখিবা
হঠাতেই জ্বলে, হঠাতেই নুমায়
জোনাকীৰ পোহৰ।
কিন্তু পথটোত আন্ধাৰ হৈ উঠিছে
ক্ৰমশঃ গাঢ়তৰ।
তাত এতিয়া কেৱল এজাক জোনাকীৰ জিলমিল।
অন্ধকাৰ নিশা
জীৱনৰ সুদীৰ্ঘ যাত্ৰা।
সম্ভৱ এনেকৈয়ে সম্পূৰ্ণ কৰে
মানুহে জীৱনৰ সুদীৰ্ঘ তীৰ্থ-যাত্ৰা।
তাত এতিয়া কেৱল এজাক জোনাকীৰ জিলমিল।
তাত এতিয়া কেৱল এজাক জোনাকীৰ জিলমিল। ☆

*ইং অনু ঃ ডি.কে. মঞ্চুৰামানি*
*অনুবাদ ঃ কণিকা শইকীয়া বৰা*

# भिक्षुक

सूर्यकांत त्रिपाठि (निराला)

(हिन्दी)

वह आता
दो टूक कलेजे के करता पछताता पथ पर आता।
पेट-पीठ दोनों मिलकर हैं एक,
चल रहा लकुटिया टेक
मुट्ठी भर दाने को-भूख मिटाने को-
मुह फटी-पुरानी झोली को फैलाता-
दो टूक कलेजे के करता पछताता पथ पर आता।
साथ ही बच्चे भी हैं सदा हाथ फैलाए,
बाए से वे मलते हुए पेट को चलते,
और दाहिना दया-दृष्टि पाने की और बढ़ाए।
भूख से वे मलते हुए पेट को चलते,
और दाहिना दया-दृष्टि पाने की और बढ़ाए।
भूख से सूख ओठ जब जाते,
दाता भाग्य विधाता से क्या पाते?
घूँट आँसुओं के पीकर रह जाते।
चाट रहे जूठी पत्तल वे कभी सड़क पर खड़े हुए,
और झपट लेने को उनसे कुत्ते भी हैं अड़े हुए।

*** *** ***

ठहरो, अहो मेरे हृदय में है अमृत
मैं सींच दूंगा,
अभिमन्यु जैसे हो सकोगे तुम,
तुम्हारे दुख मैं अपने हृदय में खींच लूंगा। ☆

# ভিক্ষুক

তেওঁ আহে
কলিজা দুফাল কৰি অনুশোচনাৰ বাটেৰে তেওঁ আহে।
পেটে-পিঠি মিলি খুটিত ভৰ দি খোজকাঢ়ে তেওঁ,
ক্ষুধাতুৰ পেটক পুহিবলৈ' এমুঠিৰ বাবে
ফটা জোলোঙাখন আগবঢ়ায়
কলিজা দুফাল কৰি অনুশোচনাৰ বাটেৰে তেওঁ আহে।
অকণমানিটোৱেও হাত আগবঢ়ায় লগতে
বাওঁহাতেৰে পেট মোহাৰি সোঁহাতখন দয়াপৰবশহৈ আগবঢ়ায়,
ভোকত কাতৰ পেটটোকে মোহাৰি
সোঁহাতখন দয়াপৰবশহৈ আগবঢ়ায়
ভোক-পিয়াহত শুকোৱা ওঁঠে
দানী ভাগ্য গঢ়োতাজনৰ পৰা কি পায়?
এৰেহা পাতখনকে চেলেকোতে
থপিয়াবলৈ ৰৈ থাকে কুকুৰবোৰো

***     ***     ***

ক্ষন্তেক ৰোৱা, মোৰ হৃদয়ত থকা অমৃতকে
দিম সিঁচি
অভিমন্যু হ'বা তুমি
আৰু তোমাৰ দুখবোৰক মই মোৰ হৃদয়লৈ কঢ়িয়াম। ✩

*অনুবাদ ঃ ৰুনু বৰুৱা*

# दहलीज

गीता डोगरा (हिन्दी)

मैं तो उसके
दरवाजें पर
रोज सुबह जाती थी
सजदा करने
तब देखती थी
कितने ही चिराग
जल रहे हैं
दहलीज पर उसकी
तब मेरी रूह
और
मेरी आँखो में
भाग जाते थे
चेतना के स्वर
मैंने सुना था
कि कोई इश्क में डूबी
उसकी दरगाह पर
पाँचदाँ चिराग पलाने जाती थी
तो जै. ने की
अपनी तकदीर को
रूई की बाती बना दिया और
खुद पाँचदाँ चिराग बन
पल रही हूँ
तेरी दहलीन पर तब त्ये.....। ☆

## দুৱাৰডলি

মইতো তেওঁৰ
দুৱাৰ মুখলৈ
প্ৰতিটো পুৱাই গৈছিলো
সজাবলৈ
তেতিয়া দেখিছিলো
কিমান-যে বন্তি
জ্বলি আছে
তেওঁৰ দুৱাৰডলিত
তেতিয়া মোৰ আত্মা
আৰু মোৰ চকুত
জাগি উঠিছিল
চেতনাৰ সুৰ .......
মই শুনিছিলো
প্ৰেমত ডুবি থকাজনে
তেওঁৰ দৰগাহত
পাঁচটি বন্তি জ্বলাবলৈ গৈছিল
মইও
মোৰ ভাগ্যক শলিতা সজালো আৰু
নিজেই পাঁচগছি চাকি হৈ
জ্বলি আছো

তোমাৰ দুৱাৰডলিত তেতিয়াৰে পৰা ..... ☆

*অনু ঃ বিন্দু ডেকা চৌধুৰী*

# AT LAST THE WOMEN ARE MOVING

**Genevieve Taggard (America)**

Last, walking with stiff legs as if they carried bundles
Came mothers, housewives, old women who knew why they abhorred war.
Their clothes bunched about them, they hobbled with anxious steps
To keep with the stride of the marchers, erect, bearing wide banners.

Such women looked odd, marching on American asphalt.
Kitchens they knew, sinks, suds, stew-pots and pennies.
Dull hurry and worry, clatter, wet hands and backache.
Here they were out in the glare on the militant march.

How did these timid, the slaves of breakfast and supper
Get out in the line, drop for once dish-rag and broom?
Here they are as work-worn as stitchers and fitters.
*Mama have you got some grub*, now none of their business

Oh, but these who know in their growing sons and their husbands
How the exhausted body needs sleep, how often needs food,
These, whose business is keeping the body alive,
These are ready, if you talk their language, to strike.

Kitchen is small, the family story is sad.
Out of the musty flats the women come thinking. ✰

# অৱশেষত ৰাটলৈ ওলাল তিৰোতাবোৰ

অৱশেষত, ওলাই আহিল তিৰোতাবোৰ
যোগ দিলে সমদলত
জঠৰ ভৰিৰে, যেন কঢ়িয়াই আনিছে গধুৰ বোজা, কেতিয়াবা খোৰায় খোৰায়।
আহিল মাতৃ বিলাক, গৃহিণীহঁত, বুঢ়ী আইতাহঁত
যি বিলাকে যুদ্ধৰ বিৰোধিতা কৰে।

সিহঁতৰ গাৰ কাপোৰ কোঁচাই লৈ,
সমদলৰ লগত খোজ মিলাবলৈ, উদ্বেগেৰে উজুটিয়াই
মূৰ ঠিয় কৈ, আহল বহল পতাকা কঢ়িয়ায়।

এই তিৰোতাবোৰ আমেৰিকাৰ ৰাস্তাত আছিল আচহুৱা
সিহঁতে মাত্র চিনিছিল ৰান্ধনিশাল, চুৱাপাতনি, চাবোনৰ ফেন,
চৰু হাড়ি আৰু খুচুৰা পইচা...।
অৱশ লৰালৰি, উৎকণ্ঠা, বাচনৰ ঠন্ ঠন্ শব্দ,
তিতা হাত, ককালৰ বিষ...,
আৰু এয়া সিহঁত মুকলি ৰদত, সংগ্রামী পদযাত্রাৰ সতীর্থ।
পুৱাৰ সাজ আৰু ৰাতিৰ সাজৰ এই নিমাখিত দাসীবোৰ!
কেনেকৈ ইহঁতে এৰি থৈ আহিল সোঁতা আৰু বাঢ়নি,
চিলাই কৰা তিৰোতা আৰু এন্ধাৰত কাম কৰা মিস্ত্রীৰ দৰে
ভাগৰুৱা এই ইহঁতে...আৰু
"মা, খাবলৈ কিবা আছেনে," এতিয়া আৰু সিহঁতৰ মনত নাই।

আচৰিত! কিন্তু যি বিলাকে কেৱল সিহঁতৰ মতাবোৰ আৰু উঠি অহা পুতেকবোৰৰ
পৰিশ্রান্ত দেহে কেনেকৈ বিচাৰে শেতেলি, আৰু
কিমান ঘনাই বিচাৰে খাদ্য বুজি পায়,
যি বিলাকৰ কাম আছিল কেৱল শৰীৰ বচাই ৰখা,
সিহঁত আজি সাজু, যদি সিহঁতক তুমি চিনিপোৱা কাম বন্ধ কৰিবলৈ।

ৰান্ধনি শালটো ঠেক, ঘৰৰ কাহিনীও কৰুণ।
ভাবি-ভাবি উৰ্ঁলি যোৱা ঘৰবোৰৰ পৰা ওলাই আহে তিৰোতাবোৰ
"মোৰ বাবে আৰু মোৰ পৰিয়ালৰ বাবেই নহয়,
ওলাই আহিছোঁ মোৰ শ্রেণীৰ বাবে
আন বহুতৰ স'তে চহৰৰ মাইল মাইল বাট ভ্রমিবলৈ
মোৰ সংকল্প আমাৰ উদ্দেশ্যত মিলাই দিলে"। ☆

*অনুবাদ ঃ ৰাণী গোঁহাই*

# HER HEAD

**Joan Murray** (American)

Near Ekuvukeni,
in Natal, South Africa,
a woman carries water on her head.
After a year of drought,
when one child in three is at risk of death,
she returns from a distant well,
carrying water on her head.

The pumpkins are gone,
the tomatoes withered,
yet the woman carries water on her head.
The cattle kraals are empty,
the goats gaunt –
no milk now for children,
but she is carrying water on her head.

The engineers have reversed the river:
those with power can keep their power,
but one woman is carrying water on her head.
In the homelands, where the dusty crowds
watch the empty roads for water trucks,
one woman trusts herself with treasure,
and carries water on her head.

The sun does not dissuade her,
nor the dried earth that blows against her,
as she carries the water on her head.
In a huge and dirty pail,
with an idle handle,
resting on a narrow can,
this woman is carrying water on her head.

This woman, who girds her neck
with safety pins, this one
who carries water on her head,
trusts her own head to bring to her people
what they need now
between life and death:
She is carrying them water on her head ✩

# তাইৰ শিৰ

দক্ষিণ আফ্রিকা
নাটালৰ একুভুকেনিৰ ওচৰতে
তিৰোতা এজনীয়ে পানী বৈ আনিছে
পাৰ হোৱা খৰাং বছৰটিত
তিনিটিৰ ভিতৰৰে এটি সন্তানে যেতিয়া
মৃত্যুৰে যুঁজি আছে
তাই দূৰণিৰ কুঁৱা এটিৰ পৰা
মূৰত পানী বৈ আনে

ৰঙালাওঁবোৰ কেনি লুকাল,
লেৰেলি শুকাল বিলাহীবোৰো
তথাপিও তাই মূৰত বৈ আনে পানী
উদং গড়াল
জকাটোহে বাকী ছাগলীবোৰৰ
পোনাকেইটিৰ মুখত দিবলৈ এটুপি গাখীৰো নাই
তাই কিন্তু এতিয়াও বৈ আনে পানী

নৈৰ গতি সলায় নৈ বন্ধা কাৰিকৰহঁতে
জলশকতিৰে শক্তিবন্ত হয় সিহঁত
কিন্তু মানুহজনীয়ে মূৰত বৈ আনে পানী
স্বদেশতে নিৰ্বাসিত নিগ্ৰোভূমিত,
যত ধূলি ধূসৰিত মানুহবোৰে
শুন্যপথত ব্যাকুল হৈ অপেক্ষা কৰে পানীৰ গাড়ীৰ
লগত থকা অতুল বৈভৱেৰে তাই বিশ্বাস কৰিয়ায়
আৰু মূৰত পানী বৈ আনে

সুৰুযেও তাইৰ বাট ৰোধিব পৰা নাই
পৰা নাই উভটি ধৰা উষ্ণ মাটিৰ বতাহজাকেওঁ
তেনেদৰে তাই মূৰত পানী বৈ আনে
প্ৰকাণ্ড আৰু লেতেৰা নালেৰে
ধৰি ৰাখে চুঙাৰ দৰে ঠেক এটা বাল্টি
হিচাপী হাতেৰে
এনেদৰে মানুহজনীয়ে বৈ আনে মূৰত পানী

ডিঙিত পিন্ধা
চেফটি পিনৰ মালাদালেই
তাইৰ শিৰৰ ৰক্ষক,
তাইৰ একেটি মাথোন অলংকাৰ
মূৰত পানী বৈ অনা মানুহজনীয়ে
নিজৰ মূৰটোকে বিশ্বাস কৰে
আৰু আস্থাজ গায়
তাইৰ মানুহবোৰক
তাহাতে এতিয়া কি বিচাৰিছে
জীৱন আৰু মৃত্যুৰ দোমোজাত
তাই মাথো
তাহাতলৈ মূৰত বৈ আনে পানী। ☆

*অনুবাদ ঃ ডাঃ বিজুলী গোস্বামী*

# THE SOLITARY REAPER

**William Wordsworth**

Behold her, single in the field,
You solitary Highland lass!
Reaping and singing by herself
Stop here, or gently pass!
Alone she cuts and binds
the grain,

And sings a melanchaly strain;
O listen! for the Vale profound
Is overflowing with the sound.

No Nightingale did ever chavent
More welcome notes to weary
bands
Of travellers in some shady havnt,
Among Arabian sands
A voice so thrilling ne'er was heard
In spring time from the Cuckoo-bird,
Breaking the silence of the seas
Among the farthest Hebrides.
Will no one tell me what she sings?
Perhaps the plaintive numbers flow
For old, unhappy far-off things.
And battles long ago :
Or is it some more humble lay,
Familiar matter of to-day?
Some natural sorrow, loss or pain,
That has been, and may be again?

Whate'er the theme, the maiden sang
As if her song could have no ending
I saw her singing at her work,
And o'er the sickle bending
I listened, motionless and still
And, as I morented up the hill,
The music in my heart I bare,
Long after it was heard no more.
(The sweet melody of the girl's
song resounded in the poet's ears
long after she had finished singging.) ✫

# নিঃসঙ্গ দাৱনীজনী

ধাননী পথাৰত অকলশৰে দাৱনীজনী
এবাৰ থমকি আকৌ আগুৱাই
আপোনমনে গুণগুণাই, শইচ কাটে মুঠি বান্ধে
বিষাদৰ গীত এটিৰে
ওপচাই তোলে গভীৰ উপত্যকা।
বুলবুল চৰাইৰ কণ্ঠতো
কল্লোলিত হোৱা নাই যি গীত
তপ্ত মৰুত মৰুদ্যান দেখিও
কোনো পৰ্যটকে পোৱা নাই
এনে উল্লাসৰ গীত
বসন্তৰ কুলিয়েও সুদূৰ হেব্ৰাইডিজৰ
নীৰৱতা ভাঙি তোলা নাই এনে সুৰৰ লহৰ
কোনেও বুজাই নিদিবানে মোক
তাইৰ গীতত বাৰু কিহৰ আবেশ?
হয়তো অতীতৰ কোনো ৰিষাদ ৰাগিণী
নহ'লেবা স্কটলেণ্ডৰ কাহিনীগীতিত
বৰ্ণনা কৰা কোনো যুদ্ধৰ বিভীষিকাৰ
বিষাদ গীতি অথবা প্ৰাত্যহিক জীৱনৰ
কোনো দুৰ্ভাগ্যৰ গান?
তাই যিয়েই নাগাওক
এনে লাগে যেন তাইৰ গীতৰ শেষ নাই
গীতেৰেই আগুৱাই নিয়ে তাইৰ চিক্‌মিক্ কাঁচি
মই থৰ হৈ শুনি তনময় হওঁ
পাহাৰটো বগাই যাওঁতেও মই
বুকুত কাঢ়িয়াই লৈ যাওঁ সেই সুৰ
তাইৰ গীত নুশুনা হোৱাৰ পিছতো
মোৰ হৃদয়ত অনুৰণিত হৈ থাকে
সুদীৰ্ঘ দিনৰ বাবে যি সুৰ। ✩

*ভাবানুবাদ ঃ মামনি গগৈ বৰুৱা*

## THEORIES OF TIME AND SPACE

**Natasha Trethewey**

You can get there from here, though
there's no going home.

Everywhere you go will be somewhere
you've never been. Try his :

head south on Mississippi 49, one-
by-one mile markers ticking off

another minute of your life, Follow this
to its natural conclusion - dead end

at the coast, the pier at Gulfport where
riggings of shrimp boats are loose stitches

in a sky threatening rain. Cross over
the man-made beach, 26 miles of sand

dumped on a mangrove swamp - buried
terrain of the past. Bring only

what you must carry - tome of memory
its random blank pages. On the dock

where you board the baot for Ship Island,
someone will take your picture :

the photograph - who you were -
will be waiting when you return ✫

## ।। স্থান আৰু কালৰ সূত্ৰ ।।

ইয়াৰ পৰা তালৈ তুমি যাব পাৰা,
যদিও তাত তোমাৰ ঘৰ এখন নাই।

য'লৈকে নোযোৱা তুমি, নিশ্চয়কৈ ক'ৰবাত
স্থান এডোখৰ পাবা। চেষ্টা কৰা

মিচিচিপি ৪৯ৰ দক্ষিণ পাৰে স্পষ্টকৈ
নিৰ্মিত মাইলৰ খুটিবোৰ পত্ৰৰ হৈ

গৈ থাকিলে উপলব্ধি কৰিবা- শেষ প্ৰান্ত
সাগৰৰ পাৰত, গাল্‌ফপটৰ খুটাবিলাক

য'ত ভাসমান জাহাজৰ ৰচিবিলাকে যেন
মেঘাচ্ছন্ন আকাশখনক টিলাকৈ সী ৰাখিছে

মানুহ তৈয়াৰ কৰা সাগৰীয় তীৰ,
চাব্বিছ মাইল বালিৰ তলত পোত গৈ থকা

আহিবা স্মৃতিপটত কেইটিমান আগগুৰি
নোহোৱা চিন্তাৰ খালি পৃষ্ঠা,

জাহাজঘাটত তুমি যেতিয়া উঠিবা শ্বিপ
দ্বীপ অভিমুখে..

কোনোবাই তোমাৰ আলোকচিত্ৰ ধৰি ৰাখিব
অলোকচিত্ৰ তুমি য'তে আছিলা
তেৰেঁই অপেক্ষা কৰিব তুমি ঘূৰি অহালৈ। ☆

*অনুবাদ ঃ মৃদুলা শৰ্মা*

## OUR HOMELAND

**Putto Oka Sukanta** (Indonesian)

Our homeland is one and the same
Whether it be here or outside
Time and space can not be seperated
I see the moon through a keyhole
You watch it rise over the sky.
The moon too is one and the same
For all our homeland one times
In different places
Heart beat in your chest
Do you sound different from me? ✩

## আমাৰ জন্মভূমি

জন্মভূমি দেখোন এখনেই
সেই একেখনেই
ইয়াত নে তাত তাৰ জবাব নোহোৱাকৈয়ে
স্থান আৰু কালক পৃথক কৰা নাযায়
বেৰৰ জলঙাৰে মই দেখা জোনটো
আৰু তুমি আকাশত চকু থৈ নিৰীক্ষণ কৰা জোন
দুয়োটা দেখোন একেটাই, সেই একেটাই
ভূগোলৰ সীমা আৰু সময়ে দ্বিখণ্ডিত কৰা
পৃথিৱীৰ সৰ্বত্ৰৰ
তোমাৰ মোৰ মাতৃভূমি দেখোন একেখনেই
মোৰ বুকুৰ স্পন্দন
তোমাৰ স্পন্দনৰ পাৰ্থক্য বাৰু ক'ত? ✩

*অনুবাদ ঃ কে, ঋতুপৰ্ণা*

## WHERE DID MY BOY FLY AWAY

**Yannis Ritsos (Greek)**

Son, my flesh and blood, marrow of my bones, heart of my heart,
Sparrow of my tiny country yard, flower of my loneliness.
Where did my boy fly away? Where's he gone?
Where's he leaving me?
The bird cage is empty now, not a drop of water in the font
Whatever made your eyes close and you are
blind to my Tears
How are you frozen in your tracks and
deaf to my biter words ✩

## ক'তনো হেৰাল মোৰ সোণ পোনাটো

পোনা মোৰ ৰক্ত মাংসৰ, অস্থিৰ মজ্জা মোৰ, মোৰ হিয়াৰো হিয়া
মোৰ ক্ষুদ্ৰ প্ৰাঙ্গনৰ ঘন চিৰিকা, মোৰ নিঃসঙ্গতাৰ ফুল।

ক'লৈ উৰি গ'ল মোৰ পোনাটি? কেনি গ'ল? ক'ত এৰি গ'ল মোক?
এতিয়া সখী উৰি গ'ল সজা উদংকৰি, দীক্ষা পাত্ৰত এটুপিও পানী নাই

কিহে তোমাৰ মৰমৰ চকু মুদোৱালে আৰু মোৰ চকুপানী নেদেখা কৰিলে?
কেনেকৈনো তোমাৰ পথত তুমি হিমশিলা হ'লা আৰু বধিৰ হৈ ৰ'লা মোৰ তিক্ত শব্দৰ? ✩

*অনুবাদ - চেনিচম্পা মহন্ত*

# A SEED'S DREAM

**Ke Yan** (China)

In a icy icy century
I hid in the brown brown earth.
Like a small, small silent fish
Sunk, sunk in the sea's green depths.
Fish move freely in the sea
While I rest my mother's arms
Juices moistening my shell
And a dream gestating deep in my heart.
The dream accompanies my deep sighs
As root hairs suck gently for me,
And bit by drop I scrape together strength
To breach the pressing layer of earth.
I think back to the radiant sunlight
And the broad vistas of the earth
And when I think that they think back to me
Raindrops of mutual longing fall
And I can grow two bright green leaves
To greet the spring wind's down-soft words
I will stretch my loins and limbs lazily
I will burst the snow and ice slowly
Then I will open gorgeous blooms
Each petal fragile, childlike
A bee will circle me tirelessly
A call me the fairest thing on earth.
I shall want to believe its vows
Become drunk on its busy promises,
I shall surrender love wholeheartedly
So that clear golden honey may be brewed from life
And when the wind shakes down my fruit
And blow it to another field
I will melt in to my mother's bosom
Trusting that next spring will be yet more beautiful. ☆

# এটা বীজৰ সপোন

ঠাণ্ডা ঠাণ্ডা বৰফ ঠাণ্ডা এক শতিকাত
মই লুকাই আছিলো মটীয়া মটীয়া ৰঙৰ পৃথিবীত
যেনেদৰে সৰু সৰু নিমাও-মাও মাছবোৰ
ডুবি, ডুবি থাকে সাগৰৰ সেউজী গৰ্ভত

মাছবোৰে মুক্তভাৱে ঘূৰি ফুৰে সাগৰত
আৰু মই জিৰণি লওঁ আইৰ দুবাহুৰ মাজত
ৰসেৰে সিক্ত মোৰ কোষ
আৰু এটা সপোন গভীৰ ভাবে অঙ্কুৰিত মোৰ হৃদয়ত।

এই সপোন কঢ়িয়াই মোৰ গভীৰ নিশ্বাস
যেনেদৰে সৰু সৰু শিপাবোৰে শোষণ কৰে মোৰ বাবেই
আৰু ধীৰ পদক্ষেপেৰে মই খামোচো মোৰ শক্তিক
দুৰ্ভেদ্য পৃথিবীৰ বুকু ফালিবলৈ

মই ভাবি ৰও ৰক্তাভ ৰ'দালিক
আৰু বিস্তৃত পৃথিবীৰ ৰেহৰূপ
আৰু যেতিয়া মই ভাবি ৰও সিহঁতেও ভাবে মোৰ বাবে
বৰষুণৰ অবিৰত ধাৰ

সেউজী দুটি পাতেৰে মই বাঢ়িব পাৰো
বসন্তৰ মৃদু মলয়াক স্বাগত জনাবলৈ
প্ৰসাৰিত কৰি ধীৰে ধীৰে মোৰ নিতম্ব আৰু দেহা
সন্তৰ্পণে ভাঙি যাম তুষাৰ আৰু হিমকণাবোৰ

প্ৰস্ফুটিত হম মই ৰূপ ৰস গন্ধেৰে
পাহিবোৰ মৰম কোমল শিশুৰ দৰে
ভোমোৰাৰ বিৰামহীন ভুন-ভুননি মোৰ চাৰিওফালে
সম্বোধনত পৃথিবীৰ সবাতোকৈ সুন্দৰ বস্তুৰ

মই তাৰ প্ৰতিজ্ঞাত সম্মোহিত
মোহগ্ৰস্ত আৰু ব্যস্ত প্ৰতিশ্ৰুতিত
হৃদয় সৰ্বস্ব প্ৰেম মই নিবেদিম
যাতে জীৱনে দান কৰিব পাৰে শুদ্ধ সোণালী মধু

আৰু বতাহৰ জোকাৰণিত স্খলিত মোৰ ফলবোৰ
আৰু উৰুৱাই লৈ যায় অন্য এক প্ৰান্তলৈ
মই পৰি ৰ'ম মোৰ মাতৃৰ বুকুত
আগন্তুক অন্য এক সুন্দৰ বসন্তৰ আশালৈ। ☆

*অনুবাদ : চেনিচম্পা মহন্ত*

# Auto Biography

**Nazim Hikmet (Turki)**

I was born in 1902
I never once went back to my birthplace
I don't like to turn back
at three I served as a pasha's grandson in Aleeppo
at nineteen as a student at Moscow Communist University
at forty-nine I was back in Moscow as the Tcheka Party's guest
and I've been a poet since I was fourteen
some people know a/l about plants some about fish
I know separation
some people know the names of the stars by heart
I recite absences
I've slept in prisons and in grand hotels
I've known hunger even a hunger strike and there's almost no food
I haven't tasted
at thirty they wanted to hang me
at forty-eight to give me the Peace Prize
which they did
at thirty-six I covered four square meters of concrete in half a year
at fifty-nine I flew from Prague to Havana in eighteen hours
I never saw Lenin I stood watch at his coffin in '24
in '61 the tomb I visit is his books

they tried to tear me away from my party
it didn't work
nor was I crushed under the falling idols
in '51 I sailed with a young friend into the teeth of death
in '52 I spent four months flat on my back with a broken heart
waiting to die
I was jealous of the women I loved
I didn't envy Charlie Chaplin one bit
I deceived my women
I never talked my friends' backs
I drank but not every day
I earned my bread money honestly what happiness
out of embarrassment for others I lied
I lied so as not to hurt someone else
but I also lied for no reason at all
I've ridden in trains planes and cars
most people don't get the chance
I went to opera
most people haven't even heard of the opera
and since '21 I haven't gone to the places most people visit
mosques churches temples synagogues sorcerers
but I've had my coffee grounds read
my writings are published in thirty or forty languages
in my Turkey in my Turkish they're banned
cancer hasn't caught up with me yet
and nothing says it will
I'll never be a prime minister or anything like that
and I wouldn't want such a life
nor did I go to war
or burrow in bomb shelters in the bottom of the night
and I never had to take to the road under diving planes
but I fell in love at almost sixty
in short comrades
even if today in Berlin I'm croaking of grief
I can say I've lived like a human being
and who knows
how much longer I'll live
what else will happen to me ✩

# আত্মজীৱনী

মোৰ জন্ম ঊনৈশ শ' দুইত
উভতি যোৱা নাই জন্মভূমিলৈ কোনোদিন
ভাল নালাগে মোৰ উভতি যাবলৈ
তিনি বছৰ বয়সত
ওমলিছিলো আলেপ্পোত
নাতি আছিলো এজন পাশাৰ (ৰাজমাতা)
ঊনৈশ বছৰত ছাত্ৰ মই মস্কো কমিউনিষ্ট বিশ্ববিদ্যালয়ৰ
যেতিয়া ঊণপঞ্চাশ মস্কোলৈ আহো পুনৰ
অতিথি মই চেক (Tchek) পাৰ্টিৰ
চৈধ্য বছৰ বয়সৰ পৰাই মই এগৰাকী কবি।

এনে কিছু মানুহ আছে
যিয়ে জানে সকলো গছ আৰু মাছৰ নাম
কিন্তু মই জানো ইবিলাকৰ নানান পাৰ্থক্য
এনে কিছু মানুহ আছে
যিয়ে সলসলীয়াকৈ ক'ব পাৰে ত'ৰাবোৰৰ নাম
কিন্তু মই কৈ দিব পাৰো
স্বদেশৰ বাবে আকুল হোৱা মানুহৰ নাম।

মই অতিবাহিত কৰিছো কাৰাগাৰত
বিলাসী হোটেলত
মই জানো ভোকৰ তাড়না
আনকি অনশনকাৰীক
য'ত খুদকনো লেহন দিয়া নহয়
জিভাৰ জুতি লবলৈ

ত্ৰিশ বছৰত মোক দিব খুজিছিল ফাঁচি
আঠচল্লিশ বছৰত দিয়া হৈছিল মোক 'শান্তিৰ বঁটা'
যেতিয়া মোৰ বয়স ছয়ত্ৰিশ
চাৰি বৰ্গ মিটাৰৰ পকী কোঠাত কটাইছো আধা বছৰ
ঊনষাঠি বছৰ বয়সত

প্ৰাগৰ পৰা হাভানালৈ উৰাজাহাজত
লাগিছিল ওঠৰ ঘণ্টা সময়।
কেতিয়াও দেখা নাই মই লেনিনক
উনৈশ শ চৌব্বিছ চনৰ পৰাই চাই আছো
থিয় হৈ তেওঁৰ সমাধিৰ সম্মুখত
আৰু এষষ্ঠি চনৰ পৰাই বহুবাৰ প্ৰবেশ কৰিছো মই
তেওঁৰ স্মৃতিৰ ৰচনাৱলীৰ সৌধত
সিহঁতে চেষ্টা কৰিছে বহুবাৰ—
পাৰ্টিৰ পৰা মোক বিচ্ছিন্ন কৰিবলৈ
কিন্তু নোৱাৰিলে
অধবা বাগৰি যোৱা মূৰ্ত্তিৰ ভৰত হোৱা নাই মই চূৰ্ণ বিচূৰ্ণ।

উনৈশ শ একাৱন্ন চনত যুৱ বন্ধুৰ সৈতে মই জীৱনৰ স'তে যুঁজিছো
উনৈশ শ বাৱন্ন চনত ভগ্ন হৃদয়েৰে মৃত্যুৰ স'তে যুঁজি যুঁজি
শয্যাগত মই চাৰি মাহ ধৰি .............
মোৰ প্ৰেমিকাক মৰম কৰা দেখি বহুতে ঈৰ্ষান্বিত
কিন্তু মোৰ প্ৰতি কেতিয়াও ঈৰ্ষান্বিত নাছিল চাৰ্লি চেপলিন
প্ৰেমিকাক প্ৰতাৰণা কৰিছো সঁচা
কিন্তু কোনোদিনে মোৰ বন্ধুক বক্ৰোক্তি কৰা নাই

মই মদ খাওঁ কিন্তু সদায় নহয়
আনক বিবুধিত নেপেলোৱাকৈ এমুঠি ভাত, ধন আৰু নিষ্ঠা অৰ্জন কৰিছো
তাতে মই সুখী
যাদিও কেতিয়াবা মিছা কৈছো, কিন্তু কাকো আঘাত দিয়া নাই
কিন্তু কোনা কাৰণ নোহোৱাকৈ মই মিছা মতা নাই
ফুৰিছো মই ৰেলত, উৰাজাহাজত আৰু গাড়ীত
বহুতেই নাপায় এনে সুযোগ
মই নাটশালালৈ যাওঁ সদায়
বেছিভাগ মানুহে নাযায়
আচলতে বহু লোকে নাচশালানো কি — শুনাই নাই

উনৈশ শ একৈশ চনৰ পাছৰ পৰা
মই মন্দিৰ, মছজিদ আৰু গীৰ্জালৈ যোৱা নাই
বহুতে উপাসনাৰ বাবেই যায়।

ভাগ্য গণনাৰ বাবে জ্যোতিষীৰ ওচৰলৈও যোৱা নাই মই
কেতিয়াবা কফিৰ খেতিত
ভাগ্যক পৰীক্ষা কৰি চাইছো।
মোৰ ৰচনাৱলী ত্ৰিশ কি চল্লিশটা ভাষাত অনুদিত হৈছে
কিন্তু মাতৃভূমি হৈও তুৰ্কি ভাষাত ই নিষিদ্ধ
এইতয়াও কৰ্কট ৰোগে কৰা নাই মোক আক্ৰান্ত
হব বুলিও মই কব নোৱাৰো

মই কাহানিও প্ৰধান মন্ত্ৰী নহওঁ
নিবিচাৰো তেনে জীৱন তেনে পদবী
মই কোনো দিনে যুদ্ধত যুঁজিবলৈ যোৱা নাই
দোভাগ ৰআতি মই বিমান আক্ৰমণৰ সময়ত
নিৰাপদ স্থানত লুকাই থকা নাই
আৰু ৰাজআলিত যুঁজাৰু বিমানৰ তলতও থিয় হোৱা নাই
কিন্তু ষাঠি বছৰ বয়সতও মই প্ৰেমত পৰিছো
আচলতে কমৰেড,
ইয়াত, এই বাৰ্লিন চহৰক শোকত ম্ৰিয়মান হৈ পৰিছো মই
কেৱল ঘৰলৈ উভতি যোৱাৰ তাড়ণাত
মই কব পাৰো এজন মানুহৰ দৰেই জীয়াই থাকিব বিচাৰো
কিন্তু কিমান দিন .............
আৰু মোৰ বা কি হব? ✫

*অসমীয়া : গীতাঞ্জলী সোণোৱাল*

## IDENTITY CARD

**Mahmoud Darwish** (Palestinian)

Record!
I am an Arab
And my identity card is number fifty thousand
I have eight children
And the nineth is coming after a summer
Will you be angry?

Record!
I am an Arab
Employed with fellow workers at a quarry
I have eight children
I get them bread
Garments and books
from the rocks..
I do not supplicate charity at your doors
Nor do I belittle myself at the footsteps of your chamber
So will you be angry?

Record!
I am an Arab
I have a name without a title
Patient in a country
Where people are enraged
My roots
Were entrenched before the birth of time
And before the opening of the eras
Before the pines, and the olive trees
And before the grass grew

My father.. descends from the family of the plow
Not from a privileged class
And my grandfather..was a farmer
Neither well-bred, nor well-born!
Teaches me the pride of the sun
Before teaching me how to read
And my house is like a watchman's hut
Made of branches and cane

Are you satisfied with my status?
I have a name without a title!

Record!
I am an Arab
You have stolen the orchards of my ancestors
And the land which I cultivated
Along with my children
And you left nothing for us
Except for these rocks..
So will the State take them
As it has been said?!

Therefore!
Record on the top of the first page:
I do not hate poeple
Nor do I encroach
But if I become hungry
The usurper's flesh will be my food
Beware..
Beware..
Of my hunger
And my anger! ✫

## পৰিচয় পত্ৰ

মোৰ নাম লিখা!
মই এজন আৰব
পৰিচয় পত্ৰত মোৰ সংখ্যা পঞ্চাশ হাজাৰ
ল'ৰা-ছোৱালী আঠোটা
নৱমটি অহাবাৰ গৰম কালিৰ পিছতে ওপজিব
খং উঠিছে?

মোৰ নাম লিখা।
মই এজন আৰব
লগৰীয়াৰ স'তে কুৱেৰীত শিল ভাঙি
আঠোটি সন্তানৰ পেট পোহো
কাপোৰ-কানি, কিতাপ-কাগজৰ যোগাৰ কৰো
তোমালোকৰ দুৱাৰত সহায় বিচাৰি যোৱা নাই কেতিয়াওঁ
যোৱা নাই তোমালোকৰ অফিচৰ দুৱাৰমুখত ভিক্ষা বিচাৰি
সেইবাবে তোমাৰ খং উঠিছে?

মোৰ নাম লিখা।
মই এজন আৰব
উপাধিহীন মোৰ নাম
ধৈৰ্য্য ধৰি আছো কোনোমতে মোৰ দেশত
সকলোৱে যেতিয়া খঙত ফাটি পৰিছে
মোৰ মূল শিপা জনমৰো আগতে ইয়াতেই
শতিকা আৰম্ভ হোৱাৰো আগেয়ে
এই জলফাই আৰু দেবদাৰুবোৰৰো আগতে
ঘাঁহনি গঁজাৰ আগেয়ে
মোৰ পিতা.... জন্মাবধি খেতিয়ক
ওপৰ মহলাৰ নহয়
আৰু মোৰ ককা.... তেৰো খেতিয়ক
খোৱা-পিন্ধাৰ চিন্তা নথকা উচ্চবিত্তৰ ঘৰত মোৰ জন্ম নহয়
সূৰুযক লৈ গৰ্ব কৰিবলৈ শিকোৱা হয় মোক

লেখা-পঢ়া শিকাৰ আগেয়ে
মোৰ ঘৰ গছ-পাত আঁহেৰে সজা পহৰাদাৰৰ পজাৰ দৰে
মোৰ অৱস্থান লৈ তুমি সন্তুষ্টনে?
উপাধিহীন মোৰ নাম।

মোৰ নাম লিখা!
মই এজন আৰৱ
তোমালোকে আমাৰ পূৰ্বজৰ আঙুৰ খেতি চুৰ কৰিছা
আৰু মোৰ চহাই থোৱা খেতিৰ মাটিখিনিও
শিশুকেইটিৰ স'তে মই অকলশৰীয়া
আমালৈ তোমালোকে একা নথলা
শিলৰ টুকুৰাৰ বাবে ...
তোমালোকৰ চৰকাৰে হেনো বাজেয়াপ্ত কৰিব এইবোৰো
এই বুলিয়েই মই শুনিলো!
তেতিয়াহ'লে ভালেই!
আৰু লিখা প্ৰথমেই লিখা ঃ
কাকো ঘৃণা নকৰো আমি
চুৰ নকৰো
কিন্তু যেতিয়া পেটত জুই জ্বলে
তেতিয়া চিঙি খাম অত্যাচাৰীৰ মাংস
সাৱধান এই আমাৰ ভোক ...
এই আমাৰ খঙৰ পৰা সাৱধান! ☆

*অনুবাদ ঃ সাবিত্ৰী শইকীয়া বৰুৱা*

**Then Almitra spoke again and said, And what of Marriage, master?**
**And he answered saying :**

**Kahlil Zibran (Lebanon)**

You were born together, and together you shall be for evermore.

You shall be together when the white wings of death scatter your days.

Ayes you shall be together even in the silent memory of God.

But let there be spaces in your togetherness.

And let the winds of the heavens dance between you. Love one another, but make not a bond of love :

Let it rather be a moving sea between the shores of your souls.

Fill each other's cup but drink not from one cup.

Give one another of your bread but eat not from the same loaf.

Sing and dance together and be Joyous, but let each one of you be alone.

Even as the strings of a lute are alone though they quiver with the same music.

Give your hearts, but not into each other's keeping.

For only the hand of Life can contain your hearts

And stand together yet not too near together :

For the pillars of the temple stand apart,

And the oak tree and the cypress grow not in each other's shadow. ☆

# নৱদম্পতীলৈ

আজীৱন একেলগে ৰ'বা
আমৰণ সাহচৰ্য্য দিবা
এনে সাহচৰ্য্য, য'ত শ্বাসৰুদ্ধ নহয় জীৱন
ফাঁক থ'বা সান্নিধ্যত, য'ত
সৰগৰ মলয়াই নাচি যাব দুয়োৰে মাজত

প্ৰেম যে নহয় চুক্তি নহয় বন্ধন
প্ৰেম হওক উত্তাল তৰংগ
ছুই ৰওক, ধুই ৰওক অহৰহ
দুজনাৰ মনৰ সৈকত

একেটি পাত্ৰতে পান নকৰিবা জীৱন-মদিৰা
নিজক নিদিবা ঢালি
পিয়লা ভৰাই দিবা দুয়ো দুজনাৰ
শূন্য পাত্ৰ পূৰ্ণ কৰি
নিজৰ প্ৰেমৰ অন্ন দিবা

একেলগে নৃত্য-গীত, আনন্দ-আহ্লাদ একেলগে
তথাপি নিজৰ বাবে নিৰ্জনতা ৰাখিবা অকণ
বীণৰ তাঁৰৰ দৰে সুকীয়া সুকীয়া হ'বা
একেটি সুৰতে বন্ধা বীণৰ দুডালি তাঁৰ হ'বা

হৃদয় দিলাই বাৰু
সেই বুলি পাহৰি নাযাবা
দুয়োখনি হৃদয়ৰে গৰাকী জীৱন

একেলগে থিয় হ'বা
থিয় হ'বা আতঁৰে আতঁৰে
মন্দিৰ-স্তম্ভৰ দৰে

জানি থোঁৱা, হে দম্পতী!
বনস্পতি পৰস্পৰ ছায়াত নাবাঢ়ে। ☆

*অনুবাদ ঃ তোষপ্ৰভা কলিতা*

# শিকড়

তছলিমা নাছৰিন (বাংলাদেশ)

শিকারী পুরুষ হাতিয়ার নিয়ে ধ্বংসের খেলা খেলে
নারী খড়কুটো, ফলমূল খোঁজে, অরণ্যে হাঁটে পথ।
হাতিয়ার যার মুল্লুক তার তখন বোঝেনি নারী।
মায়া ও মমতা, ভালবাসা ভরা সন্তানবতী দেহ
ক্রমে নুয়ে আসে, বশ্যতা মানে, প্রাকৃতিক প্রয়োজনে।

ভূমি ও নারীর সত্বাধিকার চায় গোষ্ঠীৰ ছেলে
বণ্টন হয় ভূমি আর ভাগ বাটোয়ারা হয় নারী।
প্রজাতি উৎপাদনের যন্ত্র ছাড়া নারী কিছু নয়,
কিছু নয় নারী, মানুষ সে নয়, জড় বস্তুর দলা
নতজানু হয়, বশ্যতা মানে, প্রাকৃতিক প্রয়োজনে।

হাতিয়ার যার মুল্লুক তার এখন বুঝেছে নারী
এখন বুঝেছে ধর্মের আর সমাজের নীতি নামে
পুরুষতন্ত্র ডালপালা মেলে বিস্তার করে থাবা।
এখন খুলেছে বহু বছরের ষড়যন্ত্রের জাল
এখন সরেছে স্নেহের কুয়াশা, চেতনার কালো মেঘ।

ব্যক্তির নামে ভূমি নয় আর, অআর নয় কোনো নারী
যে জীবন যার, সে জীবন তার, জীবনের মূল কথা।
হাতিয়ার দিয়ে কতকাল আর সভ্যতা কেনা বেচা।
বৈষম্যের জট ছিড়ে নারী সমতার সুতো খোঁজে,
এখন বুঝেছে যে জীবন যার সে জীবন শুধু তার। ✫

# শিকলি

হাতত মৃত্যুৰ ধনুশৰ লৈ ধ্বংসৰ খেলখেলে চিকাৰীমনৰ চিকাৰী পুৰুষ
অৰণ্যই অৰণ্যই পথ আৰু ফল বিচাৰি অকাই পকাই ঘূৰি ফুৰে
অসহায় অবলা ৰমনী
জোৰ যাৰ মুল্লুক তাৰ এই কথা নাৰীয়ে বুজি উঠা নাছিল তেতিয়া
মায়ামমতা আৰু ভাল পোৱাৰ শিপাৰে উপচি থকা
নাৰী হ'ল মাতৃৰূপা, যেন গৰ্ভবতী শইচৰ পথাৰ
পত্নী আৰু মাতৃ হোৱাৰ চিৰন্তন বাসনাৰে ক্ৰমে
শৰণাপন্ন হৈ আছে পৰিবেশৰ

পুৰুষে মাটি আৰু নাৰীৰ ওপৰত অধিকাৰ প্ৰতিষ্ঠা কৰে
পুত্ৰ সন্তানসকলে যিদৰে পৈতৃক মাটি সম্পত্তি ভগাই
ঠিক সেইদৰে নাৰীকো ভগাই লয় ভাগে ভাগে
সন্তান জন্ম দিয়াৰ যন্ত্ৰৰ বাহিৰে নাৰীৰ যেন অন্য
কোনো পৰিচয় নাই
নাৰী কোনোকালে মানুহতো নহয়েই আন কোনো
পৰিচয়ো নাই নাৰীক
প্ৰাণহীন পদাৰ্থৰ দৰে মাঘো এটুকুৰা মাংসপিণ্ড
লাহে লাহে দাসত্ব স্বীকাৰ কৰি আঠু লয়
প্ৰাকৃতিক চিৰন্তন ৰীতি-নীতিৰ কাষত

কিন্তু এতিয়া বুজি উঠিছে নাৰীয়ে জোৰ যাৰ মুলুক তাৰ
ধৰ্ম আৰু সমাজ নামক পিছত হ'ল ডালপাত
শাষা-প্ৰশাসা খোলা এডাল বিৰাট বৃক্ষ
এতিয়া খুলি পৰিছে হাজাৰ যুগৰ ষড়যন্ত্ৰৰ শৃংখল
আভুৱা ভৰা মৰমৰ এনাজৰি চেতনাৰ কলা মেঘ
আতৰি গৈছে বহুদূৰলৈ
পুৰুষ মাত্ৰেই অনায়াসে মাটি আৰু নাৰীক ভোগ কৰিব ভোগী নহয়
নাৰীয়েই হওঁক অথবা পুৰুষেই প্ৰতিজনৰে জীৱন নিজৰ নিজৰ
এই কথাই জীৱনৰ প্ৰকৃত গাথা
হে পুৰুষ। শক্তিক লৈ আৰু কিমান কৰিবা সভ্যতাৰ হেতালি
আজি বৈষম্যৰ আউল ভাগি সমতা কঢ়িয়াই নাৰীৰ অগ্ৰগতিৰ খোজ
এতিয়া সকলোৱে বুজি উঠিছে যাৰ যি জীৱন সেই জীৱন একান্তই
তেওঁৰ নিজৰ আন কাৰো নহয়। ✩

*অনুবাদ ঃ মীৰা ঠাকুৰ*

## WHEN YOU'RE AWAY

**Fayu Aliyeve (Soviat)**

When you're away
Alone at home
I sea blue evaves
And Ocean foam
Because I love you
Boundlessly
I think of you
As of the sea

When you're away,
Alone at home
I see the grey
High mountain's dome
So great a love
My bosom fills
I think of you
As of the hills.

And to the sea
In gratefulness
These are the words
That I address
I thank you
To my love you gave
the restless spirit
of a wave."

And to the hills
In gratefulness
There are the words
That I address :
I thank you, too
You gave my love
The quietude
of heights above ✫

## তুমি যেতিয়া আঁতৰত

তুমি যেতিয়া আঁতৰত
অকলে মই
দুচকুত ভৰে নীলাভ ঢৌ আৰু
ফেনীল সাগৰ
কাৰণ, তোমাৰ প্ৰতি মোৰ প্ৰেম সীমাহীন
যিদৰে সাগৰ অনন্ত
তেনেকৈয়ে তোমাক ভাবো

তুমি যেতিয়া আঁতৰত
অকলে মই
ওখ পৰ্বতক চূড়াৰ ধোঁৱাৰ ভীচালখন চাই
তোমাকে ভাবো
কিমান মহান এই ভালপোৱা
পাহাৰৰ দৰে যিয়ে মোৰ হিয়া উপচায়

আৰু সাগৰাল'
কৃতজ্ঞতাৰে কওঁ
'ধন্য তুমি
যি প্ৰেম তুমি দিছা
সি ঢৌৰ দৰে ভাগৰি নপৰা এক শক্তি'

পাহাৰলৈ চাওঁ
আৰু ধন্যবাদ জনাওঁ
'তুমি দিছা মোৰ ভালপোৱাক
প্ৰশান্তি
সবাতোকৈ যি ওখত।' ✫

*ইং. অনু. পিটাৰ টেমপেষ্ট*
*অস.অনু. সাবিত্ৰী শইকীয়া বৰুৱা*

## ATTITUDE TO A MISS

**- Vladimir Mayakovsky (Russian)**

That night was to decide
if she and I
were to be lovers.
Under cover
of darkness
no one would see, you see.
I bent over her, it's the truth,
and as I did,
it's the truth, I swear it,
I said
like a kindly parent
"Passion's a precipice-
so won't you please
move away?
Move away
please!" ✫

## কুমাৰীজনীৰ প্ৰতি

সেই নিশাহে থিৰ হ'ব লাগিছিল
তেওঁ আৰু মই সঁচাকৈয়ে প্ৰেমিক-প্ৰেমিকা নে?

আন্ধাৰৰ ঢাকনিৰ তলত
আমাক দেখাৰ কোনো উপাই নাছিল কাৰো বাবেই।
এইটো সঁচা যে-
মই তেওঁৰ ওপৰত হালি পৰিছিলোঁ।
মই শপথ খাই কৈছোঁ, এয়া সঁচা আছিল
কিন্তু মই হালি পৰিছিলোঁ
এজন মৰমিয়াল অভিভাৱকৰ দৰেহে
আৰু তেওঁক প্ৰত্যয়েৰে কৈছিলোঁ ঃ
"বাসনা হ'ল-
থিয় মুখৰ বা হেলনীয়া মুখৰ
এটুকুৰা প্ৰকাণ্ড শিলাখণ্ড।
গতিকে তুমি অনুগ্ৰহ কৰি
আঁতৰি যোৱা, আঁতৰি যোৱা।
মোৰ কাতৰ অনুৰোধ
তুমি আঁতৰি যোৱা, আঁতৰি যোৱা। ✫

*অনুবাদ ঃ জানু গোস্বামী*

## TO ALEXANDER BLOK

**Anna Akhmatova (Rassia)**

When I came to see the poet
It was noon. The day was Sunday.
Large the room was, large and quiet;
In the street reigned frost ...... The Sun

Was a crimson ball, Beneath it
shaggy, dove-grey smoke went drifting
Silent stood my host before me :
How sever, how clear his gaze!

Such his eyes that he who sees them
Even once cannot forget them.
As for me, I would be safer
Had I met them not at all

But I will remember always
What we talked about that Sunday
In the tall grey house that toward
By the gateway to the sea ✩

## প্ৰতি আলেকজেণ্ডাৰ ব্লক

কবিজনক লগ পাবলৈ আহোতে
দুপৰীয়া হৈছিল। দিনটো আছিল দেওবাৰ।
কোঠাটো আহল বহল আছিল, আৰু আছিল নিৰিবিলি
আলিবাটত আছিল বৰফৰ ৰাজত্ব ....... সূৰ্যটো

আছিল ৰঙচুৱা বলৰ দৰে। ঠিক তাৰ তলতে
কপৌৰ দৰে ধুসৰ বৰণীয়া ধোঁৱাবোৰ ওপঙি আছিল
মোৰ সমুখত গিৰিহঁতজন থিয় হৈ আছিল নিঃশব্দে
কিমান শান্ত, কিমান স্পষ্ট আছিল তেওঁৰ চাৱনি!

চকুযুৰি তেওঁৰ এনেহে যে যিয়েই দেখিছে
সিয়েই এবাৰলৈও পাহৰিব নোৱাৰিব সেই চকুযুৰি
ময়ো নিৰাপদ অনুভৱ কৰিলোহেঁতেন
যদিহে সেই চকুযুৰিৰ কেতিয়াও মুখামুখি নহ'লোহেতেন।

কিন্তু মই সদায় সুঁৱৰি থাকিম
যি কথা পাতিছিলোঁ আমি সেই দেওবাৰে
ধোঁৱা বৰণীয়া সুউচ্চ সেই ঘৰটোৰ ভিতৰত
যি ঘৰ অৱস্থিত সাগৰলৈ যোৱা পদূলিমূৰতে। ✫

*অনুবাদ ঃ হৰপ্ৰিয়া বাৰকিয়াল বৰগোহাঞি*

# কারিগর

লায়োশ কশ্‌শাক (হাঙ্গেরী)

আমরা বৈজ্ঞানিক নই ধর্মসঙ্ঘের পূজ্য মঠাধ্যক্ষও নই
কিংবা নই সরব তৎপর যোদ্ধা
যারা যুদ্ধে উৎসাহ জোগায় আর দৌড়োয় কখনো সাগরের তলে
কখনো পাহাড়ের চূড়ায় সারা পৃথিবী ঘুরে তারা ধ্বস্ত যুদ্ধক্ষেত্রে পতিত
মূর্ছিত তাদের অবস্থা
নীল আকাশের তলায় লুটিয়ে আছে কালিমা
আমরা সবাই এসবের থেকে আলাদা, নিজের চিরশান্ত গৃহকোণে শব্দহীন
যেন অবিভাজ্য মৌলিক পদার্থের সঙ্গে লগ্ন হয়ে আছি।
অথচ কালই আমরা বলেছিলাম হ্যাঁ কাল, আগামীদিনে বোধহয় শতাব্দীর গৌরবময়
কৃতিত্ব আমাদের করায়ত্ত হবে।
হ্যাঁ, কেননা এই মোটা সুগঠিত আঙুলগুলোর মধ্যে দিয়ে ফুটে উঠেছে সাদা রং
কাল আমরা নতুন গড়া দেওয়ালে এঁকে দেবো নিজেদের বিজয়-গাথা
কালই আমরা এ্যাসবেস্টসের লোহায়, পাথরের স্তূপে জাগিয়ে তুলবো নতুন প্রাণ
আর সোনার পাখায় ভর করে উড়ে চলবো কোনো শ্বেত স্বপ্নলোকে।
আমরা গড়ে তুলবো বিশাল আকাশছোঁয়া অট্টালিকা, যেন আইফেল টাওয়ার
হাতের নাগালে খেলনার মতো।
বানাবো মজবুত সেতু, চৌরাস্তার নির্মাণে দেখাবো ইস্পাতের কলাকৌশল
প্রাণহীন রেলপথে চালনা করবো আমরা দ্রুত ধাবমান ট্রেন
যে ঢং ঢং শব্দ তুলে নিজের পথে ছুটবে ধুমকেতুর মতো।
নতুন নতুন রং সৃষ্টি করি আমরা সমুদ্রের গভীরে বিছিয়ে দিই নতুন বার্তা
যৌবনবতী কুমারী মেয়েদের প্রেমের ফসল নবজাত শিশু
পৃথিবীর কোলে বড় হয়ে উঠবে
আর উদীয়মান কবি আনন্দে গেয়ে উঠবেন নতুন যুগের মঙ্গলাচরণ
রোমে, প্যারিসে, মস্কোয়, বার্লিনে, লণ্ডনে
আর বুদাপেস্তে। ☆

## কাৰিকৰ

আমি বৈজ্ঞানিক অথবা ধৰ্ম্মসংঘৰ পূজ্য মঠাধ্যক্ষ নহও
কিংবা নহও সৰব তৎপৰ সৈনিক
যিসকলে যুদ্ধত উৎসাহ যোগায় আৰু কেতিয়াবা
সাগৰ তলিত, কেতিয়াবা পাহাৰৰ চূড়াই চূড়াই দৌৰি ফুৰে।
সমগ্ৰ পৃথিবী ঘূৰি সিহঁত বিধ্বস্ত যুদ্ধক্ষেত্ৰত
পৰি ৰয় পতিত, মূৰ্চ্ছিত হৈ।
নীলা আকাশৰ তলত পৰি থাকে কালিমা।
আমি সকলোবোৰ এইবোৰ এইবোৰৰ পৰা বেলেগ
নিজৰ চিৰশান্তি গৃহ কোণত শব্দহীন আমি
যেন অবিভাজ্য মৌলিক পদাৰ্থৰ লগতহে
সংলগ্ন হৈ আছো
অথচ কালি,
এৰা কালিয়েই আমি কৈছিলো যে
অনাগত দিনত বোধকৰো শতাব্দীৰ
গৌৰবময় কৃতিত্ব আমাৰ কৰায়ত্ব হব
এৰা, কাৰণ এই শকত সুগঠিত
আঙুলিবোৰৰ মাজতেই ফুটি উঠিছে বগা ৰং
অহাকালি আমি নতুনকৈ সজা দেৱালত
আকি থম আমাৰ নিজস্ব গাঁথা
কালিয়েই আমি এচ্‌বেষ্টৰ লোহা
আৰু শিলৰ স্তুপত জগাই তুলিম নতুন প্ৰাণ।
আৰু সোণৰ পাখি মেলি উৰি ফুৰিম শ্বেত স্বপ্নলোকত।
আমি গঢ়ি তুলিম বিশাল আকাশলঙঘা অট্টালিকা,
আইফেল টাৱাৰ, হাততে পোৱা খেলনাৰ দৰে।
মজবুত সেতু তৈয়াৰ কৰিম
আলিবাট নিৰ্ম্মাণত দেখুৱাম ইস্পাতৰ কলা কৌশল
প্ৰাণহীন ৰেলপথত আমি চলাম ধাবমান ট্ৰেইন

যি নেকি নিজ পথত ঢং ঢং শব্দ কৰি
ধূমকেতুৰ দৰে চলিব
নতুন নতুন ৰঙৰ সৃষ্টি কৰি আমি সমুদ্ৰৰ গভীৰত
সিচি দিম নতুন বাৰ্ত্তা।
যৌবনমতী কুমাৰী ছোৱালীবোৰৰ প্ৰেমৰ ফচল
নবজাত শিশুবোৰ পৃথিবীৰ কোলাত
ডাঙৰ দীঘল হৈ উঠিব
উদীয়মান কবিয়ে আনন্দত গাই উঠিব
নতুন যুগৰ মঙ্গলাচৰণ
ৰোমত, পেৰিচত, মস্কোত, বাৰ্লিনত
লণ্ডনত আৰু বুদাপেস্তত। ☆

*অনুবাদ ঃ ড° লক্ষহীৰা দাস*

# কবি পৰিচিতি

**মাহমুদ ডাৰৱিশ্ব ঃ** ১৯৪১ চনত বৰ্ত্তমানৰ ইজৰাইল অধিকৃত গেলিলী অঞ্চলৰ আল্-বিৰৱা গাঁৱত মাহমুদ ডাৰৱিশ্বৰ জন্ম। পেলেষ্টাইনৰ এজন খ্যাতনামা জনতাৰ কবি হিচাপে ডাৰৱিশ্বৰ খ্যাতি এতিয়া সমগ্ৰ বিশ্বতেই বিয়পি পৰিছে। এসময়ত পি,এল,অ'-ৰ মুখপাত্ৰ হিচাপে কাম কৰা ডাৰৱিশ্বে ত্ৰিশটাতকৈ বেছি খণ্ডৰ কবিতা সংকলন, প্ৰায় আটখন গদ্য-জাতীয় ৰচনাৰ জন্ম দি বিশ্ব-সাহিত্যত এক অভিলেখ স্থাপন কৰিছে। তদুপৰি মধ্যপ্ৰাচ্যৰ প্ৰায়বোৰ বিখ্যাত সংবাদ পত্ৰৰ সৈতে তেওঁ জড়িত। 'উইভলেছ বাৰ্ডছ', 'লিভছ অব অ'লিভছ্', মে'মৰী ফৰ ফ'ৰগেটফুলনেছ ইত্যাদি কাব্যগ্ৰন্থ। তেখেতৰ বিখ্যাত কবিতা ১৯৬৪ চনত লিখা 'আইডেন্টী কাৰ্ড'।

**জুৱান মুৰে ঃ** বিখ্যাত আমেৰিকান মহিলা কবি। 'লুকিং ফৰ দা পেৰেড', 'কুইন অব দা মিষ্ট', 'দ্য ফ'ৰগ'টেন হিৰোইন অব নায়েগ্ৰা' আৰু 'দা ছেম ৱাটাৰ আদিকে ধৰি ছখন গ্ৰন্থৰ ৰচয়িতা। নিউৱৰ্ক মহানগৰীত জন্ম পোৱা মিছেছ মুৰে বৰ্তমান নিউৱৰ্ক ইউনিভাৰ্ছিটিৰ লেহমেন কলেজ, দা পেনিচিলভেনীয়া কাউন্সিল অন দা আৰ্টছ ইত্যাদি শিল্প-সংস্কৃতিৰ অনুষ্ঠানবোৰত এজনী কলা-বিশেষজ্ঞা হিচাপে কাৰ্য্য নিৰ্বাহ কৰি আছে। বিখ্যাত আটলান্টিক মাহিলী আলোচনী, 'দা নেশ্বন', দা নিউৱৰ্ক টাইমছ্ ইত্যাদি কাকত-আলোচনী আদিৰ তেওঁ নিয়মিত লেখিকা। বহুত ৰাষ্ট্ৰীয় পুৰস্কাৰেৰে তেওঁ বিভূষিতা হৈছে ইতিমধ্যে। বৰ্তমান আমেৰিকা কাব্য জগতৰ এজনী প্ৰথিতযশা কবি।

**ফাজু আলিয়েভা ঃ** চোভিয়েট ৰাচিয়াৰ সন্মানীয় নিকোলাই অ'ষ্ট্ৰ'ভস্কি ষ্টেট প্ৰাইজেৰে পুৰস্কৃতা ফাজু আলিয়েভাৰ জন্ম ৰাচিয়াৰ ডাঘেষ্টান গাঁৱত। জন্মবৰ্ষ ১৯৩২। সঁচা মানৱতাবাদত আৰু সাম্যবাদত বিশ্বাসী আলিয়েভাৰ কলমেৰে নিগৰি ওলাইছে অলেখ সুন্দৰ কবিতা। জন্মভূমি ডাঘেষ্টানৰ নৈঃসৰ্গিক পৃষ্ঠভূমি আৰু তাৰ সহজ সৰল কঠোৰ পৰিশ্ৰমী মানুহখিনিৰ ভাৱনাৰাজিৰ সুন্দৰ বাঙ্ময় শৈল্পিক প্ৰকাশ আলিয়েভাৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য।

**নাজিম হিকমত ঃ** লেটিন আমেৰিকাৰ বিশ্ব-প্ৰসিদ্ধ মহাজীৱনৰ মহাকবি পাবলো নেৰুডাৰ মতে নাজিম হিকমতে বিশ্ব কাব্যাহিত্যৰ শ্ৰেষ্ঠ দহজন কবিৰ মাজৰেই এজন। বৰ্তমান গ্ৰীচ দেশৰ অন্তৰ্গত 'ট্যচালনিষ্কি' নামৰ ঠাইত ১৯০২ চনত নাজিম হিকমতৰ জন্ম হয়। আজিৰ প্ৰখ্যাত ইস্তানবুলত তেওঁৰ শৈশৱ-কৈশোৰ অতিবাহিত তুৰস্কৰ এজন গণ মুক্তিৰ আন্দোলনৰ আগৰণুৱা ব্যক্তি আৰু জীৱনৰ ২৮টা বছৰ নাজিম হিক্মতে কাৰাবৰণ কৰিব লগা হৈছিল। নিজ দেশ তুৰস্কত থকা তেওঁৰ কাৰণে অসম্ভব হৈ পৰিছিল আৰু জীৱনৰ শেষ সময়খিনি তেওঁ ছোভিয়েট দেশত আছিল গৈ। জানুৱাৰীত তুৰস্কত জন্মগ্ৰহণ কৰা নাজিম হিক্মতে ১৯৬৩ চনৰ ২৭ জুলাইত মৃত্যু হৈছিল। চৈধ্য বছৰ বয়সৰ পৰাই তেওঁ সাহিত্যৰ মনোৰম জগতখনত বিচৰণ কৰিবলৈ আৰম্ভ কৰে। ১৯২০ চনৰ পৰা মাৰ্ক্সবাদ লেনিনবাদৰ দ্বাৰা উদ্বুদ্ধ হৈ তেওঁ সমস্ত জীৱন উসৰ্গিত কৰে মানৱ-মুক্তিৰ এজন মহান সহযোদ্ধা আৰু লেখকৰ ৰূপত। ১৯২২ চনত ৰাচিয়াৰ বিখ্যাত কবি মায়াকভস্কিৰ সৈতে ঘটা তেওঁৰ সংযোগ বিশ্ব-কাব্য সাহিত্যৰ এক উল্লেখযোগ্য ঘটনা। জীৱনৰ

২৮টা বছৰ তেওঁ কাৰাগাৰত অতিবাহিত দৰে। তেওঁৰ ইংৰাজীলৈ অনুদিত বিখ্যাত গ্ৰন্থ হ'ল "ছিলেক্টেদ প'য়েমছ", "দা মস্কো চিম্ফ নি", "টু-ডে বিফোৰ টুম'ৰো", "থিংচ আই ড'ন্ট নো আই লাভড়্" 'লেটাৰ্ছ ফ্ৰ'ম প্ৰিজন ইত্যাদি ইত্যাদি। ১৯৬৩ চনৰ ২৭ জুলাইত তেওঁৰ মৃত্যু হয়।

**প্ৰীতিশ-নন্দী ঃ** সমসাময়িক ভাৰতীয় কাব্য-সাহিত্যক এক বিশিষ্ট মাত্ৰা প্ৰদান কৰা প্ৰীতিশ নন্দীৰ কবিতা পৃথিৱীৰ বিভিন্ন ভাষালৈ অনুদিত হৈছে। তেখেতৰ কিছু সংখ্যক কবিতাক চিত্ৰৰূপ আৰু সঙ্গীতৰ সৈতে বাণীবদ্ধও কৰা হৈছে। ফেলিক, টপস্কি, হেনিমেন আদি প্ৰখ্যাত শিল্পীৰ তুলিকাত তেওঁৰ কবিতাই প্ৰাণ পাইছে। ফ্ৰস্টাৰ লিটাৰেচি এৱাৰ্ড, হমিভাবা ফেল'শ্বিপ আদি পুৰস্কাৰ বিজেতা নন্দীক ভাৰত চৰকাৰে মাত্ৰ ২৯ বছৰ বয়সত পদ্মশ্ৰী বঁটাৰে বিভূষিত কৰিছে। বিখ্যাত সাপ্তাহিক 'ইলাষ্ট্ৰেটেড উইক্‌লী'ত তেখেতৰ সম্পাদনা চিৰস্মৰণীয় হৈ ৰ'ব। তেখেতৰ এখন ইংৰাজী কাব্য সংকলন হ'ল — "The Rainbow Last Night".

**বিদ্যা শৰ্মা ঃ** মহাৰাষ্ট্ৰক পুনে নগৰীত মাৰাঠী পৰিয়ালত জন্ম লাভ কৰা শ্ৰীমতী বিদ্যা গদ্রে বিবাহসূত্ৰে অসমৰ বোৱাৰী। সংস্কৃত আৰু পালিভাষাত স্নাতকোত্তৰ ডিগ্ৰী প্ৰাপ্ত ইংৰাজী আৰু হিন্দী, জাৰ্মানী ভাষাতো প্ৰতিপত্তি থকা বিদ্যা শৰ্মাই পুনে বিদ্যালয় ফাৰ্গুচন কলেজ, মদাৰ্ন কলেজত অধ্যাপনা কৰাৰ উপৰিও অসমৰ কেইখনমান স্কুলত শিক্ষকতা কৰিছে। মাৰাঠীভাষাত কেবাটাও প্ৰবন্ধ লিখাৰ ওপৰিও হোমেন বৰগোহাঞিৰ অস্তৰাগ উপন্যাসখনৰ মাৰাঠী অনুবাদ সম্পূৰ্ণ কৰিছে। ইতিমধ্যে কেবাটাও গল্প মাৰাঠীলৈ অনুবাদ কৰি অসমীয়াতো দখল থকা বিদ্যা শৰ্মাই সংকলনত সন্নিবিষ্ট কবিতাটো মাৰাঠীৰ পৰা অসমীয়ালৈ অনুবাদকৰিছে।

**মল্লিকা সেনগুপ্ত ঃ** জন্ম-১৯৬০ কলকতা। দেউতাক আছিল চৰকাৰী কৰ্মচাৰী - সেইবাবেই পশ্চিমবঙ্গৰ বিভিন্ন সৰু সৰু চহৰত পাৰ হৈছে তেওঁৰ শৈশৱকাল। স্কুলৰ পঢ়া-শুনা জলপাইগুৰি, কলকতা আৰু ৰাণাঘাটত। স্নাতক আৰু স্নাতকোত্তৰ পঢ়া-শুনা, সমাজতত্ত্বত কল্যানী বিশ্ববিদ্যালয়ত। ১৯৮৫ চনত মহাৰাণী কাশীশ্বৰী কলেজত অধ্যাপনা আৰম্ভ। কবিতা লিখা আৰম্ভ কৰিছে ১৮৮১-৮২, ১৮৮৩ চনত প্ৰথম কবিতা সংকল 'চল্লিছে-চাঁদেৰ সাধু' প্ৰকাশ পায়। এতিয়ালৈকে ৪ খন কবিতা গ্ৰন্থৰ প্ৰকাশ হৈছে। অনুবাদ কবিতা - হিন্দী, মৈথিলী, মালায়ালম, ওড়িয়া কন্নড় ভাষাৰ - প্ৰায়বোৰেই ইংৰাজী মাধ্যমত। আমন্ত্ৰিত কবি হিচাবে বিভিন্ন দেশ ভ্ৰমণ তেওঁৰ স্বামী কবি আৰু অধ্যাপক সুবোধ চৰকাৰ।

**মামাং দাই ঃ** মামাং দাই অৰুণাচলৰ এগৰাকী নিৰ্ভীক সাংবাদিক ভাৰতীয় প্ৰশাসনিক সেৱাৰ চাকৰী এৰি দি তেওঁ সাংবাদিকতা আৰু লিখাত জড়িত হৈ পৰে। মামাং দাইৰ কবিতা সংকলনখনিৰ নাম হৈছে — 'লিজেণ্ড অৱ পেনছাম'। এই কিতাপৰ মাজেৰে মামাং দায়ে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ লেখকৰ স্বীকৃতি পাবলৈ সক্ষম হয়। তেওঁৰ শেহতীয়া ৰচনা সমূহে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ সমালোচকৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছে।

**তচলিমা নাছৰিন ঃ** জন্ম ১৯৬২ চনত পূৰ্ব বঙ্গৰ মৈমনশিং জিলাত, পেছাত শৰীৰ চিকিৎসক, ঢাকাৰ চৰাকাৰী চিকিৎসালয়ত কাম কৰাৰ সময়ত কবিতাৰ লগে লগে গদ্যতো হাত দিয়ে। ঢাকাৰ পত্ৰ-পত্ৰিকাত নাৰীৰ সমস্যা লৈ লিখা'কলম' এক শক্তিশালী ধাৰা হিচাপে স্থান পায়। কবি, প্ৰৱন্ধকাৰ আৰু উপন্যাসিক এই নাৰীবাদী লেখিকা আন্তৰ্জাতিক পৃথিৱীত পৃথিৱী তোলপাৰ

লগোৰা প্ৰকাশিত গ্ৰন্থৰ ভিতৰত 'নিৰ্বাচিত কলম', 'নষ্ট মেয়েৰে নষ্ট গদ্য', 'লজ্জা', 'ফেৰা' ইত্যাদি। তছলিমাৰ 'লজ্জা' নামৰ গ্ৰন্থ ইউৰোপত বাৰটাতকৈয়ো অধিক ভাষাত প্ৰকাশ পাইছে। ভাৰতৰ পৰা 'আনন্দ পুৰষ্কাৰ', চুইডেনৰ পৰা কুৰ্ট টুখোলস্কি পুৰস্কাৰ আৰু ইউৰোপিয়ান পাৰ্লামেন্টৰ 'শাখাৰভ' পুৰস্কাৰেৰে সন্মানিত 'আমাৰ মেয়েবেলা' প্ৰথমেই বাংলাৰ পৰা ফৰাচীলৈ অনুবাদ হয়। বহু বছৰ বিদেশত থকাৰ পাচত এতিয়া তেওঁ ভাৰততে আছে।

দময়ন্তী চিক্ ঃ চাদ্ৰী কবি দময়ন্তী চিকৰ জন্ম ১৪ ফেব্ৰুৱাৰী ১৯৬৭ চনত। গড়গাঁও মহাবিদ্যালয়ৰ পৰা স্নাতক। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ২০০০ চনত প্ৰাইভেট পৰীক্ষাৰ্থী ৰূপে ৰাজনীতি বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ। বৰ্তমান চকীমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষয়ত্ৰী। তেওঁ ইংৰাজী ভাষাত পাঁচটা কবিতা, অসমীয়া ভাষাত এঘাৰটা কবিতা, বিভিন্ন পত্ৰ-পত্ৰিকাত প্ৰকাশ পাইছে। বিভিন্ন প্ৰৱন্ধও প্ৰকাশ পাইছে। চাহ জনগোষ্ঠীৰ অৱদানৰ ওপৰত আলোকপাত কৰা প্ৰৱন্ধও প্ৰকাশ পাই আহিছে। আকাশবাণী ডিব্ৰুগড় অনাতাৰ কেন্দ্ৰৰ যোগেদি নিয়মীয়াকৈ কথিকা প্ৰচাৰ হৈ আহিছে।

হৰকীৰট কলচী 'হকী্ৰ' ঃ জন্ম অসমৰ তিনচুকীয়াত। হিন্দী সাহিত্যৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী শ্ৰীমতী হৰকীৰটে অধিবক্তা স্বামীৰ সৈতে গুৱাহাটীৰ সুন্দৰপুৰত স্থায়ীভাৱে বসবাস কৰিছে। অসমীয়া, হিন্দী, পঞ্জাৱী, উৰ্দু কেউটা ভাষাতে কবিতা লিখা কবি গৰাকীৰ কবিতাত প্ৰধানকৈ নাৰীৰ অৰ্ন্তবেদনা প্ৰকাশ পাইছে। অলপতে 'ইক দৰ্দ' নামৰ হিন্দীত লেখা তেওঁৰ কবিতাপুথিৰ প্ৰকাশ হৈ গৈছে।

ভানুমতী দলে হাছান (মিছিং) ঃ সাহিত্য-সাধনাত প্ৰবেশ কৰাৰ আগতেই যি গৰাকীয়ে গীত-সুৰ-অভিনয় জগতত তিনিওটা ভাষা অসমীয়া মিছিং, হিন্দীত সমানে পাৰদৰ্শিতা প্ৰদৰ্শন কৰি স্বীকৃতিৰ শ্ৰেষ্ঠতা লাভ কৰিছে সেই গৰাকী মিছিং কৰি শিল্পী ভানুমতী দলে হাছানৰ প্ৰতি আমাৰ শ্ৰদ্ধাভৰা নমস্কাৰ জনালো।

উল্লেখনীয় যে হোৰা দশকত ১০ খনতকৈও অধিক ছবিত অভিনয় কৰা শ্ৰীমতী দলে হাছানৰ কাব্য সাধনাৰ গতি চালুকীয়া যদিও তেওঁৰ প্ৰেৰণাময় খোজৰ অগ্ৰগতি কামনা কৰিলো।

লাঘোচ কচচাক (১৮৮৭-১৯৬৭) ঃ এগৰাকী কবি, ঔপন্যাসিক, গল্পকাৰ আৰু আত্মকথাৰ ৰচয়িতা হিচাবে খ্যাত লায়োচ কচ্চাক আছিল দুখীয়া পৰিয়ালৰ সন্তান। কবি আৰু শ্ৰমজীবি হিচাবে তেওঁ তৰুণ অবস্থাতে অষ্ট্ৰিয়া জাৰ্মানি আৰু বেলজিয়াম হৈ পেৰিচত আশ্ৰয় লয়। যদিও তেওঁক জোৰ কৰি নিজ দেশলৈ পুনৰ ঘূৰাই পঠোৱা হয়। ১৯৬০ চনত পেৰিচত তেওঁ এখন ছবিৰ প্ৰদৰ্শনী কৰিছিল তাৰেই সৰহভাগ ছবিয়েই কেইটিমান সংগ্ৰহালয়ত সংৰক্ষণ কৰা হৈছে। জীৱনৰ সূচনা কালত তেওঁ ৱাল্ট হুইটমেনৰ দ্বাৰা প্ৰভাবিত হৈছিল।

দীননাথ নাদিম (১৯১৬-১৯৮৮) ঃ কাশ্মীৰি কবি, শিক্ষাবিদ আৰু সমাজকৰ্মী। উৰ্দু ভাষাতো তেওঁ লেখা-মেলা কৰিছিল। প্ৰথম কাশ্মীৰি সাময়িক পত্ৰিকাৰ 'কংপোছ'ৰ প্ৰতিষ্ঠাপক সম্পাদক। "ছিহিল কুম" আৰু 'হাতিয়াছাহ' নামৰ গ্ৰন্থ দুখনৰ লেখক। চোভিয়েট দেশ বঁটা আৰু ১৯৮৬ চনৰ সাহিত্য অকাডেমী বঁটাৰে পুৰস্কৃত সাহিত্যিক।

**নাৰায়ন শ্যাম (১৯২২-৮৯) ঃ** বিখ্যাত সিন্ধী কবি। সিন্ধী কবিতাক এক নতুনত্ব প্ৰদান কৰা কৃতিমান কবি। ১১ খন কাব্য সংকলনৰ জন্মদাতা। উল্লেখযোগ্য গ্ৰন্থ হ'ল — 'ৱাৰিয়া ভেৰি পালান্দ'। ১৯৭০ চনৰ সাহিত্য অকাডেমী পুৰস্কাৰেৰে পুৰস্কৃত। কৱিতাত ধ্ৰুপদী আৰু আধুনিক ভাৱ-ধাৰাৰ সুন্দৰ সংযোজনৰ কৃতি পৰীক্ষক।

**সুনীল গঙ্গোপাধ্যায় (১৯৩৪-) ঃ** কবি, ঔপন্যাসিক, নাট্যকাৰ, শিশু-সাহিত্যিক, প্ৰবন্ধকাৰ হিচাপে বিখ্যাত বাঙালী লেখক। ১০ খন কাব্য সংকলনৰ জন্মদাতা। উল্লেখযোগ্য কাব্য গ্ৰন্থ — 'আমাৰ স্বপ্ন', 'হঠাৎ নীৰাৰ জন্য', কাব্য-সংগ্ৰহ দুটা খণ্ড। ১৯ খন উপন্যাসৰ স্ৰষ্টা। উল্লেখযোগ্য উপন্যাস হ'ল সেই সময়, পুৰব-পশ্চিম; এঘাৰ খন চুটি গল্প, দুখন সম্পূৰ্ণ নাটক, ১৯ খন আন ৰচনাৰ কিতাপ। ১৯৮৫ চনত সাহিত্য অকাডেমী পুৰস্কাৰেৰে বিভূষিত।

**অমৃতা প্ৰীতম (১৯১৯-২০০৫) ঃ** বিখ্যাত পাঞ্জাবী কবি, সাহিত্যিক। ১৮ খন কাব্য গ্ৰন্থৰ ৰচয়িতা। বিখ্যাত কবিতা সংকলন 'কাগজ তে কেনভাছ'। ২৪ খন উপন্যাসৰ জন্মদাত্ৰী। উল্লেখযোগ্য উপন্যাস হ'ল 'যাত্ৰী'। পোন্ধৰ খন গল্প সংকলন 'ৰছিদিটিকেট' হ'ল 'আত্মজীৱনীমুলক গ্ৰন্থ। ১৯৫৬ চনত সাহিত্য একাডেমী বঁটা লাভ। পদ্মশ্ৰী জ্ঞানপীঠ বঁটাৰেও বিভূষিতা।

**নীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তী ঃ** বাংলা কবিতাৰ ইতিহাসত নীৰেন্দ্ৰনাথ চক্ৰৱৰ্তী এটি স্বনামধন্য নাম। কবি গৰাকীৰ জন্ম হয় ১৯২৪ চনৰ ১৯ অক্টোবৰত বঙ্গোদেশৰ ফৰিতপুৰ জিলাত। তেখেতে ছাত্ৰ অৱস্থাতে 'শ্ৰীহৰ্ষ' আৰু পিচলৈ 'আনন্দমেলাৰ' সম্পাদক ৰূপে বহু বছৰ কাৰ্যনিৰ্বাহ কৰে। তেখেতে 'নীল নিৰ্জন', 'অন্ধকাৰ বাৰান্দা', 'প্ৰথম নায়ক', 'কলকাতাৰ যীশু' প্ৰভৃতি বহু কাব্য গ্ৰন্থৰ ৰচয়িতা। ইয়াৰ উপৰিও ছন্দ সম্পৰ্কে তেওঁৰ পুথি আছে। ইংৰাজী ১৯৭৪ চনত 'উলঙ্গ ৰাজা' শীৰ্ষক কাব্য গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী পুৰস্কাৰ লাভ কৰে।

**পাবলো নেৰুদা ঃ** লেটিন আমেৰিকাৰ সংগ্ৰামী সত্তাৰ জীৱন্ত প্ৰতীক। পাবলো নেৰুদাৰ জন্ম হয় ১৯০৪ চনৰ ১২ জুলাইত দক্ষিণ চিলিৰ সুৰা প্ৰস্তুতকাৰী অঞ্চলত। তেওঁৰ প্ৰথম কাব্য গ্ৰন্থ 'ক্ৰেপাচকুলাৰিঅ' পৰবৰ্তী প্ৰকাশনসমূহ হ'ল ডেইন্টেপ'য়েমাছ দ্য এমুৰ-ৰাই আনা কেন্সিয়ন ডেছপেৰেজ "ভেঞাৰ অৱ ইনফিনিট মেন", দ্য-ছ'জনাৰ-এণ্ড হিজ হোপ' আৰু ৰিংছে, অন এ পয়েদ্ৰী উইডাউট পিউৰিটী, দ্য হেইটছ অৱ মাচ্চু পিচ্চু, ইলেমেন্টাৰী ওডছ অৱ পাবলো নেৰুডা, হাণ্ড্ৰেড লাভ চনেটছ, ভয়েজেছ এণ্ড হোম, আত্মজীৱনীমূলক 'মে'মৰিয়েল দ্য ছিলা নেগ্ৰা ১৯৬৪ চনত এছ পাৰেন্টো আৰু হিব্ৰু ভাষাকে ধৰি পৃথিৱীৰ প্ৰায় ২৫ টা ভাষালৈ অনূদিত হৈছে। ১৯৫০ চনত আৰ্ন্তজাতিক শান্তি পুৰস্কাৰ, ১৯৫৩ চনত লেনিন আৰু ষ্টেলিন শান্তি পুৰস্কাৰ তেওঁ লাভ কৰে। ১৯৭৩ চনৰ ২৩ ছেপ্তেম্বৰত এই বিশাল সাহিত্য-প্ৰতিভাৰ জীৱন নাটৰ অৱসান ঘটে।

**নাজিম হিক্‌মৎ ঃ** তুৰস্কৰ এজন গণ মুক্তিৰ আন্দোলনৰ আগৰণুৱা ব্যক্তি আৰু জীৱনৰ ২৮ টা বছৰ নাজিম হিক্‌মতে কাৰাবৰণ কৰিব লগা হৈছিল। নিজ দেশ তুৰস্কত থকা তেওঁৰ কাৰণে অসম্ভৱ হৈ পৰিছিল আৰু জীৱনৰ শেষ সময়খিনি তেওঁ ছোভিয়েট দেশত আছিল গৈ। ১৯০২ চনৰ জানুৱাৰীত তুৰস্কত জন্ম গ্ৰহণ কৰা নাজিম হিক্‌মতৰ ১৯৬৩ চনৰ ২৭ জুলাইত মৃত্যু হৈছিল।

**চাজিদা জাইদি ঃ** ১৯২৬ চনত জন্ম গ্ৰহণ কৰা কবি চাজিদা জাইদি ১৯৫৫ চনৰ পৰাই আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগত অধ্যাপনা কৰি অৱসৰ গ্ৰহণ কৰিছে।

১৯৫৮ চনৰ পৰা কবিতা লিখিবলৈ লোৱা কবি গৰাকীৰ প্ৰথম কবিতা সংগ্ৰহ জু-ই-নাগ্‌মা (সুৰ-স্ৰোত Stream of Melody) ১৯৬২ চনত প্ৰকাশ পাইছিল। কবিৰ আগবয়সৰ বেছিভাগ কবিতাই পাকিস্তানী আলোচনীত প্ৰকাশ পাইছিল। ১৯৭২ চনত প্ৰকাশ পোৱা আৰ্টিছ্-ই-চায়াল (জুলীয়া জুই) নামৰ কবিতা পুথিখনৰ পৰা কবিতাটি লোৱা হৈছে। কবিতা পুথিখনৰ কবিতাসমূহ ১৯৬৫ / ৭১ চনৰ ভিতৰত লিখা। ফ্ৰেড্ৰিয় নীৎছে, কাৰ্ল য়ুং, জাঁ পল ছাত্ৰ আৰু ফ্ৰাঞ্জ্ কাফ্‌কাৰ প্ৰভাৱ তেওঁৰ কবিতাত পোৱা যায়। তেওঁৰ কবিতাৰ প্ৰধান বিষয়বস্তু হ'ল বিচ্ছিন্নতাৰ অৱসাদ, নিসঙ্গতাবোধ ইত্যাদি। তেখেতৰ শেহতীয়া প্ৰকাশিত সংকলনটি (১৯৮৬ চনত প্ৰকাশিত) হ'ল চেল-ই-ওৱাযুদ (স্থিতিৰ প্ৰবাহ Flow of Existance)

ইয়ানিছ ৰিট্ ছ'ছৰ জন্ম গ্ৰীচত - ১ মে' ১৯০৯ চনত এটি সম্ভ্ৰান্ত পৰিয়ালত। তেওঁৰ জীৱন চৰ্য্যা - পৰিয়ালৰ ধ্বংসৰ ৰূপ আৰ্থিক, মানসিক - মাকৰ অকাল মৃত্যু, লগতে ডাঙৰ ককায়েকৰ মৃত্যু, দেউতাকৰ মানসিক অস্থিৰতা, জীৱনৰ বিষাদতাই তেওঁৰ মাজত কবিতাৰ জন্ম দিলে। অধ্যয়নে দিলে বৈপ্লৱিক চিন্তাধাৰা। ১৯৩১ চনত গ্ৰীচৰ কমিউনিষ্ট পাৰ্টিত তেওঁ যোগদান কৰে আৰু নিজৰ ৰচনা শৈলীৰে গ্ৰীচৰ সাংস্কৃতিক বিপ্লৱত অৰিহণা যোগায়। তেওঁৰ অসংখ্য কবিতা পুথি প্ৰকাশৰ বাহিৰেও ন খন উপন্যাস একেলগ কৰি Iconostage of the Anonymoul Saint (1983-1985) নামেৰে প্ৰকাশ কৰে। তেওঁৰ কবিতাৰ বিষয়বস্তু - জৰা, মৃত্যু, সময়, অৰাজকতা ইত্যাদি ইত্যাদি। পৰিয়ালৰ বিষন্ন অৱস্থাই যেন তেওঁক লগ এৰা নিদিছিল সমগ্ৰ জীৱন। শেষ বয়সত আদৰ্শৰ অৱনমিত ৰূপে তেওঁৰ অন্তৰ ভাঙি দিছিল। ১৯৯০ চনৰ ১১ নবেম্বৰত এই গৰাকী মহান কবি উপন্যাসিকৰ এথেন্সত মৃত্যু হয়।

**ডেছম'ণ্ড খাৰমাওফ্লাং ঃ** আমাৰ প্ৰতিবেশী ৰাজ্য মেঘালয়ৰ প্ৰথিতযশা কবি ডেছম'ণ্ড খাৰমাওফ্লাঙৰ জন্ম ১৯৬৪ চনত। "প্ৰাচ্যৰ স্কটলেণ্ড" চিলঙৰ নাগৰিক শ্ৰীডেছ'মণ্ড এজন লোক-সংস্কৃতিৰ প্ৰখ্যাত গৱেষকো। চিলঙৰ 'নেহু' বিশ্ব-বিদ্যালয়ৰ "সংস্কৃতি আৰু সৃজনীমূলক অধ্যয়ন কেন্দ্ৰ"ৰ বৰ্তমান তেওঁ মুৰব্বী অধ্যাপক তথা গৱেষক।

**আন্না আখমাতোভা ঃ** অবিভক্ত ৰাছিয়াৰ প্ৰখ্যাত মহিলা কবি আন্না আখমাতোভাৰ প্ৰকৃত নাম আছিল গোৰেংকো। নৌবিভাগৰ ইঞ্জিনিয়াৰ এজনৰ পৰিয়ালত তেওঁ ১৮৮৯ চনত জন্ম লাভ কৰিছিল। আন্নাৰ প্ৰথম কবিতা প্ৰকাশ হৈছিল ১৯০৭ চনতে। প্ৰথম প্ৰকাশিত কাব্যপুথিখনে কবিগৰাকীক ৰাছিয়াৰ ইমূৰৰ পৰা সিমূৰলৈ জনপ্ৰিয় কৰি তুলিছিল। তেওঁৰ কবিতাৰ মূল সুৰ প্ৰেম যদিও পিছৰ বয়সত বিষয়বস্তু আৰু সুৰৰ বৈচিত্ৰ্যতা আৰু গভীৰতা বৃদ্ধি পাইছিল। তেওঁৰ জীৱনকালতে প্ৰকাশিত কবিতা পুথিসমূহ হ'ল Evening (১৯১২), Rosary (১৯১৪), The White Flock (১৯১৭), The plantain (১৯২১), Anno Domini MC MXXI (১৯২২), From six books (১৯৪০), Poems (১৯৬১), The Flow of Time (১৯৬৫)। মৰণোত্তৰভাৱেও অৰ্থাৎ ১৯৬৬ চনৰ পিছতো তেওঁৰ কেইবাটিও কাব্যসংকলন প্ৰকাশিত হৈছিল। কুৰি শতিকাৰ ৰাছিয়াৰ কবিসকলৰ ভিতৰত আন্না আখমাতোভা এটি বিশিষ্ট তথা সুখশ্ৰুত নাম। অনুদিত কবিতাটি ৰাছিয়াৰ বিখ্যাত কবি আলেকজেণ্ডাৰ ব্লকৰ প্ৰতি উচৰ্গিত।

প্ৰখ্যাত কবি নাটাছা ট্ৰিথেউবেৰ জন্ম হৈছিল ১৯৬৬ চনত মিচিচিপিৰ গাল্ফৰ্পট নামৰ ঠাইত। তেওঁ হলিনচ বিশ্ববিদ্যালয়ৰ পৰা কবিতা বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী (M.A.) লাভ কৰি মাচাচিউচেট বিশ্ববিদ্যালয়ৰ পৰা কবিতাত M.F.A. ডিগ্ৰী গ্ৰহণ কৰিবলৈ সক্ষম হৈছিল।

নাটাচা ট্ৰিথেউবেৰ প্ৰথম কবিতাপুথি প্ৰকাশ হৈছিল ২০০০ চনত। কবিতা পুথিৰ নাম দমেষ্টিক ওৱৰ্ক। এই কবিতা পুথিখনে প্ৰথম আফ্ৰিকান, আমেৰিকান শ্ৰেষ্ঠ কবিতা পুথি হিচাপে পুৰস্কৃত হয়। তেওঁ ২০০1 চনত মিচিচিপি ইন্‌চটিটিউট অফ আৰ্ট এণ্ড লেটাৰ্চ বুক পুৰস্কাৰো লাভ কৰে। লগতে সেই চনতে লিলিয়ান স্মিথ বঁটাও লাভ কৰিবলৈ সক্ষম হয়।

তেওঁৰ অন্য এখন জনপ্ৰিয় কবিতা সংকলন নেটিভ গাৰ্ডৰ বাবে ২০০৬ চনত পুলিটজাৰ বঁটাৰে বিভূষিত হয়।

এনেদৰেই তেওঁ আফ্ৰিকান, আমেৰিকান বহুত কবিতাৰ ক্ষেত্ৰত পুৰস্কাৰ সন্মানৰ অধিকাৰিণী হৈ আছে।

নাটাছা ট্ৰিথেউবে ডাৰ্কৰুম কালেকটিভ নামৰ এটি অনুষ্ঠানৰ সদস্যা হোৱাৰ উপৰি সৃষ্টিশীল সাহিত্যৰ এজন সন্মানীয় অধ্যাপকো।

**প্ৰসন্ন. এচ. পিল্লাই ঃ** এই গৰাকী কবি হৈছে এগৰাকী সাধাৰণ গৃহিণী যি গৰাকী এক স্বনামধন্যা কবিলৈ পৰিবৰ্ত্তন হৈছিল নিজৰ তীখা সদৃশ ইচ্ছা শক্তিত আৰু আশাবাদৰ বাবে। আজিৰ পৰা দুবছৰৰ আগৰ পৰাহে তেওঁ কবিতা লিখা আৰম্ভ কৰে। এতিয়া তেওঁৰ প্ৰকাশিত উপন্যাস হৈছে — ১৩ খন, ১০০ কবিতা আৰু অসংখ্য প্ৰবন্ধ আৰু বহুত। তেওঁৰ লিখনি অব্যাহত আছে।

**সৃষ্টি কৃষ্ণমূৰ্ত্তি ঃ** ড° এম, কে, কৃষ্ণমূৰ্ত্তি আৰু অসমৰ জীয়ৰী ভাৰতী কৃষ্ণমূৰ্ত্তি (দাস)ৰ কন্যা সৃষ্টি কৃষ্ণমূৰ্ত্তিৰ জন্ম গুৱাহাটীত, ১৯৮৯ চনৰ জানুৱাৰী মাহত। অনন্য প্ৰতিভাৰ গৰাকী এই গৰাকী কবিয়ে ২০০২ চনত আন্তৰ্জাতিক কবি সন্মিলনত যোগদান কৰিবলৈ আমেৰিকালৈ নিমন্ত্ৰিত হৈছিল। তেওঁ প্ৰথম শ্ৰেণীৰ পৰাই কবিতা লিখা আৰম্ভ কৰিছিল আৰু অষ্টম শ্ৰেণীত পঢ়ি থকা অৱস্থাতে ১০০ কবিতাৰ সংকলন তেওঁৰ প্ৰথম কবিতা পুথি 'Scribblity' প্ৰকাশ পায়, যাৰ বাবে তেওঁ ভাৰতৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° এ, জি, জে আব্দুল কালামৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰে। (২০০৩) তেওঁৰ 'Symbiosis' (2008) ভাৰত-পাক সম্বন্ধৰ ভিত্তিত লিখা কবিতা পাক ৰাষ্ট্ৰপতি পাৰভজ মুছাৰফলৈ পঠাইছিল— যাৰ দ্বাৰা তেওঁ আন্তঃৰাষ্ট্ৰীয় সন্মানৰ গৰাকী হৈছে। সন্মানীয় ৰূপৰ মেডেলেৰে সন্মানিত এই কিশোৰী কবিয়ে শঙ্কৰ আন্তৰ্জাতিক কবিতা প্ৰতিযোগিতাত এই পদক লাভ কৰে। ২০০5 চনত তেওঁ কমনৱেল্‌থৰ চচাইটিৰ পৰা এখন ৰচনাৰ বাবে চাৰ্টিফিকেট লাভ কৰে। সৃষ্টি বৰ্ত্তমান ডিগ্ৰী প্ৰথম বৰ্ষৰ ছাত্ৰী।

**কুম বাক্‌কী গৌৰম্মা ঃ** কুমবাক্কী গৌৰাম্মাৰ জন্ম এক কমাৰ পৰিয়ালত। ১০ বছৰ বয়সতে মাকক হেৰুৱাই আৰু মাহী মাকৰ দ্বাৰা নিৰ্য্যাতিত হয়। প্ৰাথমিক শিক্ষা শেষ কৰাৰ পাচতেই এই গৰাকী কবিয়ে জীৱন-নিৰ্বাহৰ বাবে খাটিবলৈ আৰম্ভ কৰে বা কৰিবলৈ বাধা কৰাই তেওঁৰ সতীয়া মাকে। কিন্তু কৰ্মক্ষেত্ৰত তেওঁ লাভ কৰে মাতৃ-স্নেহ। সময়ত তেওঁ তেলেগু সাহিত্যত স্নাতক হয়। এই কবিতা তেওঁ বি,এ, ক্লাচত পঢ়ি থকা অৱস্থাতেই লিখিছিল। দূভাৰ্গ্যবশতঃ এক অগ্নিকাণ্ডৰ ফলত এই গৰাকী কবিৰ জীৱন অৱসান হয় মাত্ৰ ২৫ বছৰ বয়সত। তেওঁৰ সাহিত্যৰ নাম আছিল 'হৃদয়া নন্দিনী'।

**দাদা ৰঙ্গ গৌড়া (Dodda Rangegowda) ঃ** এই গৰাকী কবি পেশাত অধ্যাপক আৰু গীত লিখে চখত। যি সময়ত কৰ্ণাটকত লঘু সঙ্গীতৰ প্ৰতি মানুহৰ আস্থা নাছিল সেই সময়তে এইজন কবিয়ে কবিতা লিখা আৰম্ভ কৰে। সামাজিক মানসিকতাই তেওঁক হতাশ কৰিব পৰা নাছিল। তেওঁৰ প্ৰেৰণাৰ উৎস আছিল কৰ্ণাটকৰ প্ৰাচীন কবিসকল আৰু এতিয়াও তেওঁ সেই সকলৰ প্ৰতি কৃতজ্ঞ। তেওঁৰ কবিতাৰ প্ৰধান বিষয়বস্তু হৈছে "প্ৰকৃতি" আৰু "প্ৰেম"। তেওঁৰ বহু কবিতাই গানলৈ পৰিবৰ্তন হৈছে আৰু ইয়াৰ মাজেদিয়েই তেওঁ জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হয়। বহুত কানাৰা কথাছবিৰ বাবেও তেওঁ গীত ৰচনা কৰিছে।

'আম্মা' নামৰ এই কবিতা কবিজনৰ গীতি কবিতাৰ সংকল 'গীতা গৰোদি' নামৰ গ্ৰন্থৰ পৰা লোৱা হৈছে। ১৯৭২ চনত তেওঁ কানাডা সাহিত্য অকাডেমী পুৰষ্কাৰেৰে পুৰষ্কৃত হয় — তেওঁ কানাড়া সাহিত্যৰ বাবে আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে।

**আৰ উমা মহেশ্বৰী ঃ** বিপ্লবী মনোভাৱৰ এই গৰাকী হৈছে তামিল আধুনিক কবি। তেওঁৰ কবিতাৰ বিষয়বস্তু হৈছে — বাস্তৱবাদ। কঠিন বস্তুক লঘু কৰি বা সৰলীকৰণ তেওঁৰ কবিতাৰ বিশেষত্ব। তেওঁৰ প্ৰজ্ঞাৰ আধাৰ হৈছে তেওঁৰ সুক্ষ্ম নিৰীক্ষণ, সহমৰ্মিতা আৰু বিশেষত্বপূৰ্ণতা। তেওঁ সৃষ্টি কৰা পৃথিবীখন দেখাত সাধাৰণ হলেও আন্তৰিক অৰ্থত জটিল।

**শ্ৰীকনক মুখোপাধ্যায় ঃ** সু-সাহিত্যিক, সমাজকৰ্মী শ্ৰীযুতা মুখোপাধ্যায় ১৯৬২ চনৰ ২১ নবেম্বৰৰ পৰা ১৯৬৩ চনৰ ১ নবেম্বৰলৈকে ভাৰত চৰকাৰৰ ভাৰত সুৰক্ষা আইনৰ অধীনত কলকতাৰ প্ৰেচিডেন্সি জেলত বন্দী হৈ আছিল। কাৰাগাৰৰ শৃঙ্খলিত দিনবিলাকৰ লিখা এই কবিতা সংকলনটিৰ মাজত কবিৰ অনন্য সাধাৰণ অনুভূতি আৰু বন্দী জীৱনৰ উপলব্ধি সমূহৰ কিছু আভাস পাব পাৰি। তেখেতৰ অন্যান্য প্ৰকাশিত গ্ৰন্থসমূহ হৈছে — ৰৌদ্ৰধাৰা, ফিরে পাওয়া, বৃন্তহীন, উজান, বন্দী ফাগুন, নাৰী ও সমাজ আদি।

**কে. আইথাপ্পা পানিকৰ ঃ** ১৯৩০ চনত জন্ম গ্ৰহণ কৰা মালয়ালম কবি কে. আইয়াপ্পা পানিকৰ মালায়ালী সাহিত্যৰ এগৰাকী প্ৰবীণ সাহিত্যিক। মালায়ালী সাহিত্যত আধুনিক কাব্য আন্দোলনৰ সূত্ৰপাত কৰোঁতা পানিকৰে ইউৰোপ, আমেৰিকাৰ বিভিন্ন দেশ ভ্ৰমন কৰি নিজৰ অভিজ্ঞতাৰ ভঁৰাল পূৰঠ কৰিছিল। সেয়ে তেওঁ ভাৰতবৰ্ষৰ প্ৰায় সকলো আঞ্চলিক সাহিত্যত পৰিলক্ষিত হোৱা দৰে আখ্যান কাব্য বা 'নেৰেটিভ' কবিতা ৰচনা কৰাৰ লগতে বস্তুনিষ্ঠ বাহুল্য বৰ্জিত ছুটী কবিতাও ৰচনা কৰিছিল।

**মনোৰঞ্জন ৰথ ঃ** শ্ৰীমনোৰঞ্জন ৰথৰ জন্ম আৰু শিক্ষা উৰিষ্যাত চাৰ্টাড একাউটেন্সী কৃতিত্বৰে পাচ কৰে কলিকতাৰ পৰা। ১৯৯১ চনৰ পৰা অসমত কাৰ্য্যৰত। তেখেত কাৰ্য্য প্ৰণালী আৰু লেখনিৰ মাজেদি নিগাজীকৈ অসমীয়া হোৱাৰ পথত। তেখেত ওতঃপ্ৰোতঃভাৱে অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ লগত জড়িত। সাহিত্য চৰ্চ্চা ছাত্ৰ-অৱস্থাৰ পৰাই কৰি আছে। কলেজ আৰু বিশ্ব-বিদ্যালয়ত অনেক পুৰস্কাৰেৰে পুৰস্কৃত। উড়ীয়া, বাঙ্গালী, হিন্দী, ইংৰাজী, অসমীয়াত সমানে দক্ষতা থকা কবি মনোৰঞ্জন ৰথৰ এই কবিতাৰ 'মায়া' হৈছে স্ত্ৰী শক্তি বা নাৰীৰ সামগ্ৰিক ৰূপ ভাৰতীয় নাৰীৰ প্ৰতীক।

**খলিল জিব্রান (Jubran Khalil Jubran)** ৰ জন্ম হৈছিল ১৮৮৩ চনত আৰু মৃত্যু হৈছিল ১৯৩১ চনত। প্ৰাবন্ধিক, ঔপন্যাসিক, কবি আৰু চিত্ৰকৰ খলিল জিব্ৰানৰ জন্ম হৈছিল লেবাননত আৰু কৰ্মৰে তেওঁ আছিল এজন আমেৰিকান আৰবিক। তেওঁ পেৰিচত ভাস্কৰ ৰঁদাৰ অধীনত শিল্পকলাৰ আৰু বেইৰুচত আৰবীসাহিত্যৰ শিক্ষালাভ কৰিছিল।

১৯২৩ চনত লিখা তেওঁৰ The Prophet নামৰ কথা কবিতাৰ গ্ৰন্থখন বিশ্বৰ অনেক ভাষালৈ অনূদিত হৈছে। এই গ্ৰন্থৰ মূল চৰিত্ৰ আলমুস্তাকাই আৰ্কালীজ নামৰ নগৰত সুদীৰ্ঘ বাৰ বছৰ কাল কটোৱাৰ পাছত বিদায় লবলৈ ওলোৱাৰ সময়ত তেওঁক বিদাই সম্ভাষণ জনাবলৈ অহা বিভিন্ন ব্যক্তিৰ লগত জীৱনৰ বিভিন্ন দিশ সম্পৰ্কে প্ৰশ্নোত্তৰ প্ৰদান কৰিছিল। আলমিত্ৰা নামৰ এগৰাকী সন্ন্যাসিনীয়ে বিবাহ সম্পৰ্কে সোধা প্ৰশ্নটোৰ উত্তৰত বিবাহিত জীৱনত নাৰীৰ সুকীয়া মৰ্য্যাদা সূচক এই কথাখিনি আলমুস্তাফাই কৈছিল।

**জেনিভিয়েভ টেগাৰ্ড (Geneuieve Taggard)** ৰ জন্ম (১৮৯৪-১৯৪৮) আমেৰিকাৰ ৱাচিংটন চহৰৰ ৱেইষ্টবাৰ্গত। তেওঁ বিশ্বাস কৰিছিল যে কবিতাই ৰাজনৈতিক ধাৰাৰ পৰিবৰ্ত্তনৰ এটা মাধ্যম।

তেওঁ চানফ্ৰান্সিচকোৰ সমাজবাদী সাহিত্য চক্ৰৰ সক্ৰিয় সদস্যা আছিল। ১৯২০ চনত জেনিডিয়েভ নিউৰ্য়ক চহৰলৈ যায় আৰু তাৰ সাহিত্য অনুষ্ঠান বোৰৰ সৈতে সক্ৰিয় ভাবে জড়িত হৈ পৰে। 'The measure' : A Journal of verse. নামৰ সাহিত্য আলোচনী খনৰ সম্পাদনৰ কাম কৰে।

তেওঁৰ প্ৰকাশিত কবিতা পুথিবোৰ হ'ল -For Eagger Lovers (1922), Words for the chesel (1926), Travelling Standing still (1928), Calling western Union (1936), Collected Poems: 1918-1938 (1938), তেওঁৰ প্ৰকাশিত প্ৰিয় গ্ৰন্থ খন হ'ল 'Slow Music'.

পেচাত অধ্যাপিকা, সমাজবাদী ভাৱধাৰা আৰু নাৰী মুক্তিৰ আদৰ্শৰে লেখা-মেলা কৰা এইগৰাকী লেখিকাৰ ৰবাৰ্ট উলফ্ৰ স'তে বিবাহবিচ্ছেদ হয় ১৯৩৪ চনত। পিচত তেওঁ চোভিয়েট নিউজ এজেন্সিৰ চাখৰীয়াল এজনৰ সতে পুনৰ বিবাহ হয়। এই গৰাকী বিদ্ৰাহী লেখিকাৰ মৃত্যু হয় ১৯৪৮ চনত।

**বহিনাবাই চৌধাৰী** (১৮৮০-১৯৫১) মাৰাঠি কবি। জালগাঁও জিলাৰ অশিক্ষিত কপাহ খেতিয়ক এই গৰাকী নাৰীৰ মাজত এক অদ্ভুত প্ৰতিভা আছিল। চাকিত আটা পিহাৰ ছন্দত তেওঁ গাঠি পেলাইছিল জীৱনৰ ৰং আৰু ৰূপ। উত্তৰ মহাৰাষ্ট্ৰৰ কপাহ খেতিয়ক সকলৰ কথিত ভাষাতে তেওঁ গীত-পদবোৰ ৰচিছিল। তেওঁ কৈছিল, "ৰাম তেওঁৰ পঢ়এগ্ৰশালী আৰু সৰস্বতী তেওঁৰ শিক্ষয়িত্ৰী"। তেওঁ আচলতে 'কথা কীৰ্তন'ৰ পৰম্পৰাৰ প্ৰভাৱৰ কথা উল্লেখ কৰিছিল। এই প্ৰভাৱৰ উপৰিও তেওঁৰ কপাহ খেতিয়ক ৰূপে এক নাৰী ৰূপে, মাতৃ-পত্নী ৰূপে পোৱা অভিজ্ঞতাৰও গীত-পদবোৰত প্ৰতিভাত হৈ আছে। এবাৰ তেওঁৰ পুত্ৰই যি পাছত এজন বিখাত ৰূপে প্ৰতিষ্ঠিত হৈছিল (স্বপন দেব চৌধুৰী—১৯০৭-১৯৮২) মাকক এল, পি স্কুলৰ পাঠ্যপুথিৰ পৰা সাবিত্ৰী-

সত্যবানৰ সাধুটো পঢ়ি শুনাইছিল। পাছদিনা মাকে সাধুটো চাকিত আটা পিহাৰ ছন্দত গাঠি এটা শুৱলা গীত কৰি সাজি পেলালে। পুতেকে গীতটো লেখি থৈছিল। মাকৰ মৃত্যুৰ পাছত প্ৰসিদ্ধ সমালোচক পি, কে আৰ্তেক তেখেতে সঙ্কোচেৰে মাকৰ কথিত গাঁৱলীয়া ভাষাত লেখা কবিতাটো দেউখুৱাইছিল। আৰ্ত্ৰেই চিঞৰ মাৰি উঠিছিল, 'এয়া যে খাটি সোণ' বহিনাবাইৰ সৃষ্টি বহুখিনিয়ে হেৰাল তথাপি যিখিনি উদ্ধাৰ হ'ল সেইখিনি মাৰাঠী সাহিত্যৰ মূল্যবান সম্পদ।

'এতিয়া মই মোৰ কাৰণে জীয়াই থাকিম'—কবিতাটো বহিনাবায়ে স্বামী বিয়োগৰ পাছত লেখিছিল। ইংৰাজীলৈ এই কবিতাটো বিলাস চাৰঙ্গে অনুবাদ কৰিছে।

'দেশে দেশে কবিতা' এক উচ্চাকাংক্ষা অথচ সাৰ্থক এক সংকলন, বিশ্বৰ বিভিন্ন ভাষাৰ মূলতঃ প্ৰতিষ্ঠিত কবিৰ কবিতাৰ অনুবাদৰ লগতে আমাৰ নিচেই ওচৰ চুবুৰীয়া আৰু আমাৰ দেশৰ বিভিন্ন প্ৰান্তৰ অনেক ভাষাৰ কবিতাৰ অনুবাদ সন্নিবিষ্ট কৰাৰ বাবে এই সংকলনৰ সৌষ্ঠৱ বাঢ়িছে। আমি ঘৰৰ চৌকাষৰ গছ-গছনি খিনি যেনেকৈ চিনি পাব লাগে তেনেকৈয়ে আমাৰ চুবুৰীয়া সংস্কৃতিৰ স'তেও ঘনিষ্ঠ হ'ব লাগে। এয়াই বুজা পৰাৰ প্ৰাথমিক শ্লোগান। তাৰোপৰি সংকলন খনত বিভিন্ন কবিতাৰ সমাবেশ হোৱাটো প্ৰশংসনীয়। ইয়াত মৌখিক সাহিত্যকো সমানেই গুৰুত্ব দিয়া হৈছে। লোক-সাহিত্য আৰু মৌখিক সাহিত্যই আধুনিক সৃষ্টিৰ মূল ভেটি। অনুবাদসমূহো সহজ আৰু স্বাভাৱিক হোৱাৰ বাবে সহজেই পাঠক-পাঠিকাৰ ওচৰ চাপিব পাৰিব বুলি আমাৰ বিশ্বাস। বিভিন্ন জনে কৰা বিবিধ কবিতাৰ অনুবাদো সমানেই সুখ পাঠ্য হোৱা দেখি কবৰ মন যায়, যে অনুবাদ কৰ্ম অনুবাদৰ ৰাজনীতি বা সূত্ৰৰ ওপৰত নিৰ্ভৰশীল নহৱও পাৰে। আনহাতে এনে সমৃদ্ধ অনুবাদৰ পৰাহে আমি সূত্ৰলৈ বাট বুলিব পাৰো।

প্ৰদীপ আচাৰ্য্য